DailyAssam.Com




পঞ্চদশ
বিষয়বস্তু

# সংবিধান প্ৰস্তুতকৰণ
## এক নতুন যুগৰ আৰম্ভণি

১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা বলবৎ হোৱা ভাৰতীয় সংবিধানখনৰ বিশেষত্ব হৈছে —ই পৃথিৱীৰ ভিতৰতে আটাইতকৈ দীঘল সংবিধান। সম্ভৱতঃ দেশখনৰ আকাৰ আৰু বিভিন্নতাৰ কাৰণে সংবিধানখনৰ দৈৰ্ঘ আৰু জটিলতাৰ সৃষ্টি হৈছে। স্বাধীনতাৰ সময়ত ভাৰতখন কেৱল ডাঙৰ আৰু ভিন্ন ধৰণৰ নাছিল, বৰং ইয়াক গভীৰভাৱে বিভক্ত কৰা হৈছিল। এনে অৱস্থাত দেশখনক একত্ৰীকৰণ কৰিবলৈ আৰু উন্নতিৰ বাটত আগবঢ়াই নিবলৈ সংবিধানখন অতি বাহুল্যভাৱে, খুব সতৰ্কতাৰে আৰু কৌশলেৰে অশেষ কষ্ট আৰু পৰিশ্ৰমেৰে ৰচনা কৰা হৈছিল। ইয়াৰ এটা উদ্দেশ্য হ'ল অতীত আৰু বৰ্ত্তমানৰ আঁসোৱাহসমূহ দূৰ কৰা আৰু বিভিন্ন জাতি-উপজাতি একেলগ কৰি একেখন ৰাজনৈতিক মঞ্চত অংশগ্ৰহণ কৰোৱা। অন্য এটা উদ্দেশ্য হ'ল — বহুবছৰ একশ্ৰেণীৰ মানুহৰ পৃথক উপভোগ্য হিচাবে চলি থকা গণতান্ত্ৰিক অনুস্থানসমূহৰ পৰিচৰ্যা কৰা।

ভাৰতীয় সংবিধানখন ১৯৪৬ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৪৯ চনৰ ডিচেম্বৰ মাহৰ কালছোৱাত ৰচনা কৰা হৈছিল। এই কালছোৱাৰ ভিতৰত এই সংবিধানখনৰ প্ৰতিলিপি



চিত্ৰ,১৫.১
তিনিবছৰ বিতৰ্কৰ অন্তত সংবিধানখন ১৯৪৯ চনৰ ডিচেম্বৰত চহী কৰে।

DailyAssam.Com



ভাৰতীয় সাংবিধানিক গোটে (Constituent Assembly of India) দফা দফাকৈ আলোচনা কৰে। মুঠ ১৬৫ দিনৰ ভিতৰত সাংবিধানিক গোটৰ এঘাৰখন (১১) সভা অনুস্থিত হৈছিল। এই এঘাৰখন সভা চলি থকা সময়তে বিভিন্ন কমিটি আৰু নিম্ন কমিটিয়ে পৰীক্ষা-নিৰীক্ষা আৰু সংশোধনৰ কাম কৰিছিল।

তোমাৰ ৰাজনীতি বিজ্ঞান পাঠ্যপুথিৰ পৰা ভাৰতীয় সংবিধানখন কি আৰু ই ভাৰত স্বাধীন হোৱাৰ পৰা পাৰ হৈ যোৱা দশককেইটাত কোনধৰণে কাম কৰিছে সেই বিষয়ে জানিব পাৰিছা। সংবিধানখন স্প্ৰস্তুত কৰণৰ আঁৰৰ ইতিহাস আৰু ইয়াৰ ওপৰত হোৱা উদ্দেশ্য প্ৰণোদিত বিতৰ্কৰ বিষয়ে এইটো অধ্যায়ত তোমালোকক পৰিচয় কৰি দিয়া হ'ব। সাংবিধানিক গোটটোৰ ভিতৰত হোৱা বিতৰ্কৰ বিষয়েযদি আমি জানিব বা শুনিব খোজো তেনেহ'লে সংবিধানখন প্ৰস্তুত কৰা আৰু ৰাষ্ট্ৰৰ প্ৰতিমূৰ্ত্তি নিৰ্দ্ধাৰণ কাৰ্যপ্ৰণালীৰ বিষয়ে এটা আভাষ পাম।



**চিত্ৰ, ১৫.২** - সংবিধান সভাৰ সদস্যসলক অনুসন্ধান কৰি একেৰাহে চলোৱা ধ্বংস আৰু জনশূন্য কাৰ্যসূহৰ দৃশ্য।

## ১. এটা হুলস্থুলীয়া সময় ঃ

সংবিধানখন প্ৰস্তুত কৰাৰ আগৰ বছৰটো অভূতপূৰ্ব হুলস্থুলীয়া আছিল। এটা বৃহৎ আশা আৰু এক গভীৰ হতাশাৰ সময়। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হ'ল, কিন্তু দেশখনক দ্বি-খণ্ডিত কৰা হ'ল। স্বতঃস্ফূৰ্তভাৱে মানুহৰ মনত থকা দুটা সংগ্ৰাম হ'ল —১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলন -বোধহয় বৃটিছৰাজৰ বিৰুদ্ধে ব্যাপকভাৱে চলোৱা আটাইতকৈ জনপ্ৰিয় আন্দোলন। ঠিক তেনেদৰে স্বাধীনতা অৰ্জন কৰিবলৈ বিদেশৰ সাহাৰ্যত সুভাষ চন্দ্ৰ বসুৱে চলোৱা সশস্ত্ৰ সংগ্ৰাম। ব্যাপক জনসহানুভূতি লাভ কৰা আন এটা শেহতীয়া জনপ্ৰিয় আন্দোলন হৈছে বম্বে আৰু অন্যান্য চহৰত "ৰয়েল ইণ্ডিয়ান নেভি"ৰ ১৯৪৬ চনৰ বসন্তকালত হোৱা বিদ্ৰোহ। ১৯৪০ চনৰ শেষভাগৰ পৰা শ্ৰমিক বা বনুৱাসকল আৰু কৃষকসকলৰ বিস্তৃত গণবিক্ষোভ আন্দোলন দেশৰ বিভিন্ন অংশত চলি আছিল সিঁচৰিতভাৱে।

অতি লক্ষণীয়ভাৱে এই গণবিক্ষোভসমূহত হিন্দু-মুছলমানৰ মাজৰ ঐক্যতাৰ ডোল (ৰছী)ডাল দৃষ্টিগোচৰ হৈছিল। ইয়াৰ বিপৰীতে ভাৰতৰ আগশাৰীৰ দুটা প্ৰভাৱশালী ৰাজনৈতিক দল কংগ্ৰেছ আৰু মুছলীম লীগে ধৰ্মীয় সমিলমিল আৰু সামাজিক একতা বিষয়ত এটা মীমাংসাত উপনীত হোৱাত বাৰে বাৰে ব্যৰ্থ হৈছিল। ১৯৪৬ চনত সংঘটিত হোৱা বৃহৎ কলিকতা হত্যাকাণ্ডৰ পিছৰে পৰা উত্তৰ আৰু পূৰ ভাৰতত প্ৰায় এবছৰ জোৰা ধাৰাবাহিক হিংসাত্মক সংঘৰ্ষ আৰম্ভ হৈছিল (১৩ আৰু ১৪ অধ্যায়চোৱা)। হত্যাকাণ্ডৰ উৰ্দ্ধতম অৱস্থাতে ভাৰত বিভাজন ঘোষণা কৰাত মানুহৰ স্থানান্তৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

১৯৪৭ চনৰ ১৫ আগষ্ট, ভাৰতে স্বাধীনতা লাভ কৰা দিনটোত চাৰিওফালে আনন্দ আৰু আশাৰ জোঁৱাৰ উঠিছিল আৰু যিসকল লোকে সেই দিনটো পাইছিল তেওঁলোকৰ বাবে স্মৰণীয় দিন আছিল। কিন্তু ভাৰতবৰ্ষত বাসকৰা এক বৃহৎসংখ্যক মুছলমান লোক আৰু পাকিস্থানত বাস কৰা হিন্দু আৰু শিখসকলে এক গভীৰ সংকটৰ সন্মুখীন হ'ব লগা হ'ল - এফালে হঠাৎ মৃত্যুৰ ভাবুকি বা সুবিধাসমূহ কাঢ়ি নিয়া আৰু আনফালে চকুপানী টুকি নিজৰ জন্মভূমি বাধ্যতামূলকভাৱে ত্যাগ কৰিব লগা অৱস্থা।

DailyAssam.Com




**চিত্ৰ, ১৫.৩** - ১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজনিশা জৱাহৰলাল নেহৰুৱে সাংবিধানিক সভাত বক্তৃতা দি আছিল।
সেইদিনা নেহেৰুৱে দিয়া তেওঁৰ বিখ্যাত ভাষণ তলত দিয়া কথাৰে আৰম্ভ কৰিছিল —
" বহুবছৰৰ আগেয়ে আমি লগ হোৱাৰ উদ্দেশ্যে এটুকুৰা ঠাই বাচি লৈছিলো আৰু এতিয়া আমাৰ প্ৰতিজ্ঞা পালনৰ সময় আহি উপস্থিত হৈছে — সম্পূৰ্ণৰূপে বা পূৰ্ণ নিৰিখত নহয়, কিন্তু স্থায়ীভাৱে মাজনিশা যেতিয়া পৃথিৱী নিদ্ৰামগ্ন হৈ থাকিব তেতিয়াই ভাৰত জীৱন্ত হৈ উঠিব আৰু স্বাধীনতা লাভ কৰিব।"

লাখ-লাখ শৰণাৰ্থীৰ গমন আৰম্ভ হ'ল-মুছলমানসকল পূব আৰু পশ্চিম পাকিস্থানলৈ আৰু হিন্দু আৰু শিখসকল পশ্চিমবঙ্গ আৰু পাঞ্জাবৰ অৰ্ধ (half) পূব অংশলৈ ৰাওনা হ'ল। নিজৰ গন্তব্যস্থানত উপস্থিত হোৱাৰ আগতেই বহুতোলোক নোহোৱা হ'ল।

নতুন ৰাষ্ট্ৰই কম গুৰুতৰভাৱে সন্মুখীন হোৱা আন এটা সমস্যা হ'ল ৰাজকীয় ৰাজ্যসমূহৰ স্থিতি। বৃটিছৰাজ শাসনকালত উপমহাদেশখনৰ প্ৰায় তিনিভাগৰ এভাগ অঞ্চল নবাব আৰু মহাৰাজসকলৰ অধীনত আছিল। এই নবাব আৰু মহাৰাজসকলে নিজৰ ৰাজ্য ইচ্ছামতে সুশাসন বা কুশাসনৰ অধিকাৰ পালেও কিন্তু বৃটিছ ৰাজক্ষমতাৰ সেৱক হিচাবে কাম কৰিব লাগিছিল। বৃটিছসকলে ভাৰত ত্যাগ কৰাৰ পাছত, এই ৰজাসকলৰ সাংবিধানিক মৰ্যাদা অস্পষ্ট হৈ পৰিল। সমসাময়িক এজন নিৰীক্ষকে মন্তব্য কৰিছিল যে কিছুসংখ্যক মহাৰজাই এতিয়া বহুবিভক্ত ভাৰতবৰ্ষত সুকীয়া ক্ষমতা লাভ কৰা বিলাসী সপোন দেখিবলৈ আৰম্ভ কৰিছে।

এনে এটা পৰিস্থিতিতে সাংবিধানিক সভা গঠন হৈছিল। সভাত আলোচিত বা বিতৰ্কিত বিষয়সমূহ সম্পূৰ্ণ গোপনীয় আছিল আৰু বাহিৰত ঘটি থকা কথাবিলাকৰ লগত সংহতি ৰখা নাছিল।

## ১.১ সাংবিধানিকসভা গঠন ঃ

১৯৪৬ চনৰ প্ৰাদেশিক নিৰ্বাচনৰ ভিত্তিত সাংবিধানিক সভাৰ সদস্যসকলক বাচনি কৰা হৈছিল। বৃটিছ ভাৰতৰ প্ৰদেশসমূহৰ পৰা পঠোৱা সদস্যসকলৰ উপৰি সভাত ৰাজকীয় ৰাজ্যসমূহৰ পৰাও প্ৰতিনিধি পঠাইছিল, যিহেতু এই ৰাজ্যসমূহে এখনৰ পিছত এখনকৈ যুক্তৰাষ্ট্ৰত যোগদান কৰিছিল। মুছলীম লীগে প্ৰাৰম্ভিক বৈঠকসমূহত (১৯৪৭ চনৰ ১৫ আগষ্টৰ আগৰ) যোগদানৰ পৰা বিৰত আছিল, যিটোৱে এই বৈঠকসমূহ এটা দলৰ ফলদায়ক উপস্থিতিহে লক্ষ্ণীয় হৈছিল। সভাৰ শতকৰা ৮২ ভাগ সদস্যই কংগ্ৰেছ দলৰ হোৱাটোৱেই এইটো প্ৰমাণ কৰিছিল।

যেই কি নহওঁক, কংগ্ৰেছ নিজেই যিহেতু বহল ক্ষেত্ৰৰ ইয়াৰ ভিন ভিন

DailyAssam.Com

সদস্যসকলে বহুধৰণৰ মতামত দাঙি ধৰিছিল। কিছুমান আছিল নাস্তিক আৰু ধৰ্মনিৰপেক্ষ, আন কিছুমান (এজন ইঙ্গ ভাৰতীয় সদস্য, ফ্ৰেঞ্চ এন্থনীৰ ভাষাত) নিয়মানুসৰি কংগ্ৰেছৰ সদস্য যদিও আধ্যাত্মিকভাৱে আৰ.এচ.এচৰ হিন্দু মহাসভাৰ সদস্য, কিছুমান তেওঁলোকৰ অৰ্থনীতি দৰ্শনত সমাজবাদী, আন কিছুমান জমিদাৰসকলৰ অধিকাৰৰক্ষক আছিল। সাংবিধানিক সভাৰ ভিতৰত ভিন্নতা থকা স্বত্বেও কংগ্ৰেছে বেলেগ বেলেগ জাতি আৰু ধৰ্মৰ নিৰ্দ্দলীয় সদস্য মনোনীত কৰিছিল আৰু মহিলা প্ৰতিনিধিকো ৰখাৰ আশ্বাস দিছিল। কংগ্ৰেছে আইনৰ পাৰ্গত লোকৰ অৰ্ন্তভুক্তি বিশেষ গুৰুত্ব আৰোপ কৰিছিল। সভাত উত্থাপিত বিষয়ৰ ওপৰত কৰা বিতৰ্কসমূহে মতামতৰ ভিন্নতা প্ৰতিফলিত কৰিছিল।

সাংবিধানিক সভাত আলোচনা হোৱা বিষয়সমূহ জনসাধাৰণৰ দ্বাৰা ব্যক্ত হোৱা মতামতৰ ওপৰত প্ৰভাৱান্বিত আছিল। আলোচনা চলি থকা কালত বিতৰ্কিত বিষয়সমূহৰ সংবাদ খবৰ কাগজলৈ পঠিয়াইছিল আৰু গ্ৰহণ কৰা প্ৰস্তাৱসমূহৰ ওপৰত মুকলিভাৱে বিতৰ্ক হৈছিল। সংবাদমাধ্যমত প্ৰকাশ পোৱা সমালোচনা আৰু প্ৰতিৰোধ সমালোচনাসমূহে সক্ৰিয়তাৰ স্বৰূপ সৃষ্টি কৰিছিল আৰু সেইটোৱেই অৱশেষত বিশেষ বিষয় হিচাপে গুৰুত্ব লাভ কৰিছিল। এক সন্মিলিত অংশগ্ৰহণৰ মনোভাৱ গঠন কৰাৰ কাৰণে জনসাধাৰণকো তেওঁলোকৰ মতামত দাখিল কৰিবলৈ কোৱা হৈছিল। ইয়াৰ বিপৰীতে লাভ কৰা শ শ সঁহাৰিৰ বিশ্লেষণে আইন ৰচনা কৰাসকলক ভিন্ন স্বাৰ্থৰ আভাষ দিয়ে যিটো আইন তৈয়াৰ কৰা সময়ত বিবেচনা কৰা হয়। এইদৰে 'সদৌ ভাৰত বৰ্ণাশ্ৰম স্বৰাজ্য সংঘ'ই (কলিকতা স্থাপিত) উত্থাপন কৰিছিল যে সংবিধানখন "পৌৰাণিক হিন্দুকৰ্মত উল্লেখিত নীতিসমূহৰ আধাৰত হ'ব লাগে।" গোবধ নিবাৰণ আৰু কচাইখানাসমূহ বন্ধ কৰাটো বিশেষভাৱে অনুমোদন জনাইছিল। নিম্ন জাতিৰ লোকসকলে দাবী উত্থাপন কৰিছিল যে "উচ্চ জাতিৰ লোকসকলে নিম্নজাতিৰ লোকক কৰা দুৰ্ব্যৱহাৰৰ অন্ত পেলাব লাগে, আৰু লোকসভা, বিধান সভা,চৰকাৰী

**চিত্ৰ,১৫.৪**
সাংবিধানিক সভাৰ অধিবেশন চলি আছে। চৰ্দ্দাৰ বল্লভ ভাই পেটেলক (সোঁফালৰ পৰা দ্বিতীয়ন) বহি থকা দেখা গৈছে।



বিভাগ আৰু স্থানীয় নিগম আদিত নিম্নজাতিৰ জনসংখ্যা অনুসৰি আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।” ভাষিক সংখ্যালঘুসকলে তেওঁলোকৰ “মাতৃভাষাৰ বাক স্বাধীনতা আৰু ভাষিক গৰিষ্ঠতাৰ আধাৰত প্ৰদেশসমূহ পুৰ্নগঠন হোৱাটো বিচাৰিছিল। ধৰ্মীয় সংখ্যালঘুসকলে বিশেষ ৰক্ষণাবেক্ষণ বিচাৰিছিল আৰু ভিন ভিন (গাঁও) সংস্থাসমূহে যেনে বম্বেৰ ভিজিয়া নগৰমৰ জিলা শিক্ষক গীল্ড আৰু বম্বেৰ কেন্দ্ৰীয় ইহুদী বৰ্ডে লোকসভা-বিধানসভা সমন্বিতে সকলোধৰণৰ ৰাজহুৱা অনুস্থানত যথোচিত প্ৰতিনিধিত্ব বিচাৰিছিল।

DailyAssam.Com

## ১.২ প্ৰভাৱশালী বক্তব্য ঃ

সাংবিধানিক সভাত মুঠ ৩০০ জন সদস্য আছিল। ইয়াৰ ভিতৰত ছয়জন সদস্যই বিশেষভাৱে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তিনিজন কংগ্ৰেছৰ প্ৰতিনিধি আছিল — এইকেইজন হ'ল জৱাহৰলাল নেহৰু, বল্লভ ভাই পেটেল আৰু ৰাজেন্দ্ৰ প্ৰসাদ। নেহেৰুৱে গুৰুত্বপূৰ্ণ উদ্দেশ্যসমূহ আৰু প্ৰস্তাৱ আগবঢ়াইছিল। তেওঁ লগতে প্ৰস্তাৱ দিছিল যে ভাৰতৰ জাতীয় পতাকাখন সমানুপাতিক আৰু সমান্তৰালভাৱে তিনি ৰঙৰ -গেৰুৱা, বগা আৰু সেউজীয়া হ'ব। কেন্দ্ৰত ডাঠ নীলা ৰঙৰ এটা চকা থাকিব। আনহাতে সদায় মঞ্চৰ আৰত থাকি কাম কৰা পেটেলে কিছুমান সংবাদৰ খুচুৰা প্ৰস্তুত কৰি মুখ্য ভূমিকা পালন কৰিলে আৰু বিপৰীতফালৰ পৰাও সমিলমিল কৰি কাম চলাই গ'ল। সকলো সদস্যই যাতে নিজৰ মতামত দাঙি ধৰিবলৈ সুবিধা পায় তাৰ্লৈ লক্ষ্য ৰাখি সদনৰ সভাপতি হিচাবে ৰাজেন্দ্ৰ প্ৰসাদে আলোচনাসমূহ গঠনমূলক নীতিৰে পৰিচালিত কৰাৰ ভূমিকা পালন কৰিছিল।

কংগ্ৰেছৰ এই তিনিমূৰ্ত্তিৰ উপৰি সদনৰ (সভাৰ) এজন অতি উল্লেখযোগ্য সদস্য আছিল উকীল আৰু অৰ্থনীতিবিদ বি.আৰ.আম্বেদকাৰ। বৃটিছ ৰাজত্বকালত আম্বেদকাৰ কংগ্ৰেছবিৰোধী ৰাজনীতিজ্ঞ আছিল। কিন্তু স্বাধীনতাৰ পিছত গান্ধীজীৰ পৰামৰ্শমৰ্মে তেওঁক কেন্দ্ৰীয় মন্ত্ৰীসভাই আইন মন্ত্ৰী হিচাবে যোগদান কৰিবলৈ প্ৰস্তাৱ আগবঢ়ালে। এইসূত্ৰে তেওঁ সংবিধানৰ খচৰা প্ৰস্তুত কমিটিৰ চেয়াৰমেন হিচাবে কাম কৰিলে। গুজৰাট আৰু মাদ্ৰাজৰ উকীল ক্ৰমে কে.এম.মুন্সী আৰু এলাডী কৃষ্ণস্বামী আয়াৰ নামে আন দুজন উকীলে কেতবোৰ জটিল সংযোজন কৰি সংবিধান খচৰা প্ৰস্তুত কৰণত আম্বেদকাৰক সহায় কৰিলে।

এই ছয়জন সদস্যৰ বাদেও দুজন প্ৰশাসনিক বিষয়াই সংবিধানৰ খচৰা প্ৰস্তুতকৰণত মুখ্য ভূমিকা লৈছিল-প্ৰথমজন হ'ল বি. এন. ৰাও ভাৰত চৰকাৰৰ সাংবিধানিক উপদেষ্টা। এওঁ আন আন উন্নত দেশৰ ৰাজনৈতিক পদ্ধতিসমূহ গভীৰভাৱে অধ্যয়ন কৰি সেইবোৰৰ পৰা বছা বছা সাৰাংশ (বিষয়বস্তু) সংগ্ৰহ কৰিছিল। আনজন আছিল মুখ্য নক্সাকাৰী (Draftman) এন. এ. ন. মুখাৰ্জী। এওঁৰ বিষয়ে আম্বেদকাৰে কৈছিল — অতিকৈ পকোৱাপকী (পাকলগা)


প্ৰস্তাৱসমূহ সহজ আৰু স্পষ্ট আইনগত ব্যাখ্যা দিয়াত তেওঁৰ (মুখাৰ্জীৰ) যি দক্ষতা সেইয়া খুব কমেইহে পোৱা যায়।

সদনৰ জৰিয়তে সংবিধান খচৰা প্ৰস্তুত কাৰ্যত আম্বেদকাৰে নিজে প্ৰদৰ্শকৰ দায়িত্ব পালন কৰিছিল। সংবিধান প্ৰস্তুত কৰোতে তিনিবছৰ সময় লাগিছিল আৰু ছপাহোৱা টোকাবিলাকৰ সৈতে বৃহৎ আকাৰৰ ১১ টা খণ্ডত সমাপ্ত হৈছে। কিন্তু কাৰ্যপ্ৰণালীটো দীঘলীয়া হ'লেও আনহাতে অত্যন্ত আকৰ্ষণীয় আছিল। সংবিধান কমিটিৰ সদস্যসকল তেওঁলোকৰ ভিন্নমুখী মন্তব্য প্ৰকাশ কৰাত বাকচতুৰ আছিল। তেওঁলোকৰ উপস্থাপনত আমি ভাৰতৰ বহুতো বিতৰ্কমূলক নীতি বাচি উলিয়াব পাৰো -যেনে ভাৰতীয়সকলে কি ভাষা কোৱা উচিত, কেনেধৰণৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পন্থা গ্ৰহণ কৰিব,কেনেধৰণৰ নৈতিক মূল্যবোধ ইয়াৰ নাগৰিকসকলে ৰক্ষা কৰিব অথবা বিৰোধ কৰিব ইত্যাদি।

DailyAssam.Com

**আলোচনা**

১৩ আৰু ১৪ অধ্যায়লৈ ঘূৰি চোৱা। কেনেকৈ সেইসময়ৰ ৰাজনৈতিক পৰিস্থিতিয়ে সাংবিধানিক সমিতিৰ বিতৰ্কসমূহৰ ধাৰা গঢ়ি তুলিছিল?



**চিত্ৰ,১৫.৫**
বি.আৰ.আম্বেদকাৰে হিন্দু ব'ৰ্ড বিলৰ এটা আলোচনাত সভাপতিত্ব কৰিছে।

DailyAssam.Com


## ২. সংবিধানৰ দৰ্শন ঃ

১৯৪৬ চনৰ ১৩ ডিচেম্বৰত জৱাহৰলাল নেহেৰুৱে সংবিধান সভাত "কাৰ্যপ্ৰণালী প্ৰস্তাৱনা" (Objectives Resolution) উত্থাপন কৰে। এইটো এটা সাময়িক প্ৰস্তাৱনা আছিল, যিটোৱে স্বাধীন ভাৰতৰ সংবিধানখনৰ আদৰ্শসমূহৰ সংজ্ঞা দিছিল আৰু সংবিধান গঠনৰ বাবে ল'ব লগা কাৰ্যপন্থাৰ সূচনা কৰিছিল। প্ৰস্তাৱনাত ঘোষণা কৰা হয় যে ভাৰতবৰ্ষ এখন "স্বাধীন সাৰ্বভৌম গণতান্ত্ৰিক দেশ" যিখন দেশত নাগৰিকসকলৰ সুবিচাৰ ক্ষমতা, সমতা আৰু স্বাধীনতা নিশ্চিত থাকিব আৰু সংখ্যালঘুসকল, পিচপৰা আৰু জনজাতি অঞ্চলসমূহ আৰু হতাশাগ্ৰস্ত আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ ... যথোচিত সুৰক্ষা প্ৰদান কৰাৰ আশ্বাস পাব। এই উদ্দেশ্যসমূহ অন্তৰ্ভুক্তিৰে নেহেৰুৱে এক বহল ঐতিহাসিক দৃষ্টিভঙ্গীৰে এই পৰীক্ষামূলক কৰ্মপন্থা ভৱিষ্যত নিদৰ্শন হিচাবে উপস্থাপন কৰে। তেওঁৰ উক্তি অনুসৰি -তেওঁৰ মনটো অতীতলৈ ঘূৰি গৈছিল আৰু এনে অধিকাৰৰ খচৰাসমূহ প্ৰস্তুত কৰাৰ অৰ্থে অতীতৰ ঐতিহাসিক প্ৰচেষ্টাৰ কথা মনলৈ আহিছিল।

**উৎস - ১**

### "আমি কেৱল নকল কৰিব খোজা নাই"



১৯৪৬ চনৰ ১৩ ডিচেম্বৰত জৱাহৰলাল নেহৰুৱে তেওঁৰ বিখ্যাত ভাষণত কৈছিল —

বিভিন্ন সাংবিধানিক সভাই বৃহৎ আমেৰিকান মহাজাতি গঠন হোৱাৰ আগতে কেনেকৈ কাম কৰিছিল, যেতিয়া সেই জাতিৰ পিতৃসকল লগ হৈছিল আৰু সংবিধান গঢ় দিছিল, যিটো বহুবছৰ অৰ্থাৎ ডেৰশতিকাৰ অধিক বছৰৰ প্ৰচেষ্টাৰ ফল আৰু যিখন সংবিধানৰ ভিত্তিত সেই মহাজাতিটো গঠন হৈছিল —এই কথা মোৰ মনলৈ আহিছিল। মোৰ মনলৈ আহিছিল সেই শক্তিশালী সংগ্ৰামৰ কথা যিটো ১৫০ বছৰৰ আগেয়ে সংঘটিত হৈছিল আৰু সেই সাংবিধানিক সভাৰ কথা,যিখন মনোমোহা আৰু ধুনীয়া চহৰ পেৰিচত অনুষ্ঠিত হৈছিল, যিখন চহৰে বহুবছৰ ধৰি স্বাধীনতা সংগ্ৰাম কৰিছিল,এনে এক কঠিন সময়ত সাংবিধানিক সভাৰ বৈঠক বহিছিল আৰু কেনেকৈ ৰজা আৰু অন্যান্য প্ৰাধিকাৰীসকল সেই পৰ্যন্ত তালৈ আহি আছিল। সভাই মনত ৰাখিব লাগিব যে সাংবিধানিক সভাই যেতিয়া এই সমস্যাবিলাকৰ সন্মুখীন হৈছিল, আনকি সভা অনুষ্ঠিত কৰিবলৈ এটা কোঠালী পৰ্যন্ত দিয়া নাছিল, তেতিয়া এখন মুকলি টেনিচ খেল পথাৰত সভা অনুষ্ঠিত কৰিছিল আৰু শপত গ্ৰহণ কৰিছিল, য'ত টেনিচ কৰ্টৰ শপত বুলি কোৱা হৈছিল। এনেকৈ তেওঁলোক ৰজা আৰু অন্যান্যসকলৰ বাধা নেওচি একেৰাহে সভা অনুষ্ঠিত কৰিছিল আৰু সভাৰ নিৰ্দ্ধাৰিত কাৰ্যসূচী শেষ নকৰা পৰ্যন্ত সভা ভঙ্গ কৰা নাছিল। হয়, মোৰ আস্থা আছে -যে আমিও সেই অদম্য উৎসাহেৰে ইয়াত লগ হৈছো আৰু আমিও আমাৰ সভা অক্ষত

DailyAssam.Com

ৰাখিম-য'তেই নহওঁক লাগে এইটো কোঠা, অন্য কোঠা, পথাৰত বা বজাৰত, আমাৰ কাম শেষ নোহোৱা পৰ্যন্ত সভা চলি থাকিব।

তাৰপিছত মোৰ মনলৈ আহিছিল এটা একেবাৰে শেহতীয়া আন্দোলনৰ কথা, যিটোৱে এখন নতুন ধৰণৰ ৰাষ্ট্ৰক জন্ম দিছিল, সেই আন্দোলনটো সংঘটিত হৈছিল ৰাছিয়াত আৰু সেইটোৱেই নতুন এখন শক্তিশালী দেশ "ইউনিয়ন অব ছোভিয়েট ছটিয়েলিষ্ট ৰিপাব্লিক"ৰ সৃষ্টি কৰিলে, যিখনে পৃথিৱীক এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। অকল শক্তিশালীয়েই নহয়, আমাৰ ভাৰতবৰ্ষৰ কাৰণে এখন ওচৰ-চুবুৰীয়া দেশ।

সেইবাবেই এই মহৎ উদাহৰণকেইটাৰ প্ৰতি আমাৰ মন আকৰ্ষিত হৈছে,আমি তেওঁলোকৰ কৃতকাৰ্যতাৰ পৰা শিকিব আৰু বিফলতাখিনি আওকান কৰিব খুজিছো। সম্ভৱতঃ আমি বিফলতাসমূহ বাদ দিব নোৱাৰিম, যিহেতু বিফলতাৰ কিছুমান কাৰণ মানৱ পৰিক্ৰমাৰ ফল। যেনেকৈ নহওঁক আমি আগবাঢ়িবই লাগিব। মই নিশ্চিত যে বহুত বাধা আৰু কঠিনতা থাকিলেও আমি আমাৰ লক্ষ্যত উপনীত হ'ম আৰু আমাৰ বহুদিনৰ সপোন ফলৱতী কৰিব পাৰিম।

আমি কওঁ যে এইটো আমাৰ দৃঢ় আৰু একান্ত ইচ্ছা এখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ গঠন হ'ব, ভাৰতে সাৰ্বভৌমত্ব পাবই, স্বাধীন হ'বই আৰু এখন প্ৰজাতন্ত্ৰ হ'বই। এতিয়া কিছুমান সতীৰ্থই প্ৰশ্ন উত্থাপন কৰিছে , ইয়াত তোমালোকে গণতন্ত্ৰ শব্দটোৰ উল্লেখ কৰা নাই কিয় ? ঠিক আছে মই তেওঁলোকক কৈছিলো যে, এইটো হ'ব পাৰে। অৱশ্যে এখন প্ৰজাতন্ত্ৰ গণতান্ত্ৰিক নহ'বও পাৰে। কিন্তু অতীতত ঘটি যোৱা ক্ৰমণিকাসমূহে খাটাংং কৰিছে যে আমি এখন গণতান্ত্ৰিক... অনুষ্ঠানৰ বাবে ঠিয় দিছো। নিশ্চিতভাৱে আমি এখন গণতন্ত্ৰৰ হৈ কাম কৰিছো আৰু গণতন্ত্ৰৰ বাদে একো কৰা নাই। কি ধৰণৰ আৰু কেনেকুৱা আকৃতিৰ গণতন্ত্ৰ হয়, সেইটো অন্য এটা বিষয়। পৃথিৱীৰ অগ্ৰগতিত ইউৰোপ আৰু অন্যান্য ঠাইত থকা বৰ্ত্তমান সময়ক গণতন্ত্ৰই এক বৃহৎ ভূমিকা গ্ৰহণ কৰিছে। তথাপি এইটো অস্পষ্ট যে সেই গণতন্ত্ৰ দেশসমূহে বহুবছৰ আগতে সম্পূৰ্ণ গণতন্ত্ৰ হিচাবে বৰ্তি থাকিবলৈ সিহঁতৰ আকৃতি পৰিৱৰ্তন কৰিব লগা হৈছিল নেকি ? আমি অকল নকল কৰিব খোজা নাই, মাত্ৰ এখন গণতান্ত্ৰিক দেশ বুলি ক'ব পৰা স্পষ্ট নিয়মাৱলী বা অনুস্থান হোৱাটো বিচাৰিছো। আমি ইয়াৰ উন্নতি সাধন কৰিব পাৰো। আমি ইয়াত যিপ্ৰকাৰৰ চৰকাৰ গঠন নকৰো, যিকোনো পৰিস্থিতিত আমাৰ জনসাধাৰণৰ ইচ্ছাৰ লগত খাপ খোৱা আৰু গ্ৰহণযোগ্য হ'ব লাগে। আমি গণতন্ত্ৰৰ কাৰণে থিয় হৈছো; আমি আশাকৰা মতে এই পূৰ্ণগণতন্ত্ৰৰ গঠন কেনেকুৱা হ'ব সেইটো এই সভাই নিৰ্ণয় কৰিব। সভাই লক্ষ্য কৰিব যে এই প্ৰস্তাৱটোত যদিও আমি 'গণতান্ত্ৰিক' শব্দটো ব্যৱহাৰ কৰা নাই, কাৰণ আমি ভাবিছিলো - এইটো নকলেও জনা কথা যে "প্ৰজাতন্ত্ৰ" (Republic) শব্দটোৱে গণতন্ত্ৰ শব্দটো নিহিত হৈ আছে আৰু আমি অপ্ৰয়োজনীয় আৰু অতিৰিক্ত শব্দবোৰ ব্যৱহাৰ কৰিব খোজা নাছিলো, কিন্তু আমি তাতোকৈ বহুত বেছি কিছুমান কৰিছো। আমি এই প্ৰস্তাৱটোত গণতন্ত্ৰৰ সূচীপত্ৰ দিছো আৰু অকল গণতন্ত্ৰৰ সূচীপত্ৰই নহয়, গোটেই সূচীপত্ৰ দিয়া হৈছে, যদি মই ক'ব খোজো প্ৰস্তাৱটোৰ অৰ্থনৈতিক গণতন্ত্ৰৰ সূচীপত্ৰৰ কথা ক'ব পাৰি। অন্যান্যসকলে প্ৰস্তাৱটোৰ বিৰোধিতা কৰিব পাৰে, কাৰণ এইখন এখন সমাজবাদী দেশ হোৱা উচিত বুলি কোৱা নাছিলো। হয়, মই সমাজবাদক সমৰ্থন কৰো আৰু মই আশাকৰিছো ভাৰতবৰ্ষ সমাজবাদৰ পৰিপন্থী হ'ব আৰু এখন সমাজবাদী ৰাষ্ট্ৰৰ সংবিধান গঠনৰ বাবে ভাৰতবৰ্ষ আগবাঢ়িব আৰু মোৰ বিশ্বাস গোটেই পৃথিৱীয়েই সেইটো লক্ষ্যৰে আগবাঢ়িব লাগিব।

Constutuent Assembly Debates (CAD) Vol. 1



টেনিছ কৰ্টৰ শপত

নেহেৰুৰ ভাষণ (উৎস-১) টো সাৱধানতাৰে পৰীক্ষা কৰাৰ প্ৰয়োজন। ইয়াত প্ৰকৃতাৰ্থত কি কোৱা হৈছে? দেখাদেখিকৈ নেহেৰুৱে আবেগিকভাৱে অতীতলৈ (Nostalogic) ঘূৰি যোৱাটোৱে কোনধৰণৰ প্ৰভাৱ পেলাইছে? সংবিধানখনৰ উদ্দেশ্যত অন্তৰ্ভুক্ত কৰা আদৰ্শসমূহৰ গুৰিটোৰ বিষয়ে তেওঁ কি কৈছে? অতীতলৈ ঘূৰি গৈ আমেৰিকাবাসী আৰু ফৰাচী আন্দোলনৰ উল্লেখ কৰি নেহেৰুৱে মুক্তি আৰু স্বাধীনতাৰ বাবে যুঁজ দিয়া দীঘলীয়া ইতিহাসৰ উদগণিৰে ভাৰতীয় সংবিধান ৰচনা কৰাৰ ঐতিহাসিক পথৰ বিষয়ে কৈছিল। ভাৰতীয় প্ৰকল্পটোৰ ঘটনামূলক বিষয়টো, অতীত আন্দোলনৰ মূহুৰ্তৰ লগত সংহতি ৰাখি গুৰুত্ব দিয়া হৈছিল। কিন্তু সেই ঘটনাসমূহে বৰ্ত্তমানৰ কাৰণে আঁচনি যুগুতাই দিব বা সেই আন্দোলনসূহৰ আদৰ্শ ভাৰতলৈ কৌশলেৰে ধাৰ কৰিব আৰু প্ৰয়োগ কৰিব পাৰিব বুলি নেহেৰুৱে পৰামৰ্শ দিয়া নাছিল। তেওঁ গণতন্ত্ৰ গঠনৰ নিৰ্দিষ্ট সংজ্ঞা দিয়া নাছিল আৰু পৰামৰ্শ দিছিল যে এইটো উপযুক্ত আলোচনাৰ মাজেদি সিদ্ধান্ত লোৱা প্ৰয়োজন। তেওঁ আৰু গুৰুত্ব দি কৈছিল যে ভাৰতত প্ৰৱৰ্ত্তন কৰা সংবিধানৰ আদৰ্শ আৰু চৰ্ত্তসমূহ কাৰোপৰা লোৱা হোৱা নাছিল। "আমি অকল নকল কৰিব বিচৰা নাই", তেওঁ কৈছিল। তেওঁ ঘোষণা কৰিছিল যে ভাৰতত প্ৰতিষ্ঠা কৰা চৰকাৰী ব্যৱস্থাটো আমাৰ মানুহে বিচৰামতে প্ৰতিষ্ঠা কৰা হৈছিল আৰু তেওঁলোকৰ বাবে গ্ৰহণযোগ্য আছিল। পশ্চিমৰ মানুহৰ পৰা আৰু তেওঁলোকৰ কামৰ সফলতা আৰু ব্যৰ্থতাৰ পৰা শিকিবলগা আছে, কিন্তু পশ্চিমৰ জাতিবিলাকেও অন্যান্য দেশৰ পৰীক্ষা-নিৰীক্ষাৰ পৰা শিকিব লগা আছে। তেওঁলোকেও নিজৰ গণতন্ত্ৰৰ ধাৰণাৰ পৰিৱৰ্তন কৰিবলগা আছে। ভাৰতীয় সংবিধানৰ নীতিসমূহ গণতন্ত্ৰৰ মুক্ত আদৰ্শ আৰু অৰ্থনৈতিক সুৰক্ষাৰ একত্ৰিকৰণ আৰু এই আদৰ্শসমূহ ভাৰতীয় পৰিবেশৰ আধাৰত পুনৰ প্ৰতিষ্ঠা আৰু নতুনকৈ কামত লগাব লাগে। নেহেৰুৰ আহ্বান আছিল -ভাৰতৰ বাবে প্ৰযোজ্য হোৱাকৈ সৃজনীমূলক চিন্তা কৰা।

➲ উৎস -১ত "গণতান্ত্ৰিক" শব্দটো মূল প্ৰস্তাৱত কিয় ব্যৱহাৰ কৰা নাছিল; এই বিষয়ত জৱাহৰলাল নেহেৰুৱে কি ব্যাখ্যা দিছে?

DailyAssam.Com

## ২.১ মানুহৰ ইচ্ছা ঃ

এজন কমিউনিষ্ট সদস্য, সোমনাথ লাহিড়ীয়ে সাংবিধানিক সভাৰ (Constituent Assembly) আলোচনাত বৃটিছ সাম্ৰাজ্যবাদৰ গোপন হাত থকাৰ কথা দৃষ্টিগোচৰ কৰে। তেওঁ এইদৰে সদস্যসকলক আৰু সমগ্ৰ ভাৰতীয়সকলক ৰাজকীয় শাসনৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত কৰিবলৈ আহ্বান জনায়। ১৯৪৬-৪৭ চনৰ শীতকালত সভাই আলোচনা কৰি থকা সময়লৈকে বৃটিছসকল ভাৰতত আছিল। জৱাহৰলাল নেহেৰুৰ নেতৃত্বত এখন অন্তৰ্বৰ্ত্তী চৰকাৰ চলিছিল, কিন্তু এই চৰকাৰৰ বৃটিছ ভাৰতৰ ভাইচৰয় আৰু লণ্ডনত থকা বৃটিছ চৰকাৰৰ নিৰ্দেশমতেহে চলাব পাৰিছিল। লাহিড়ীয়ে তেওঁৰ সতীৰ্থসকলক অনুভৱ কৰিবলৈ পৰামৰ্শ দিয়েযে সাংবিধানিক সভা বৃটিছে গঠন কৰিছিল আৰু বৃটিছ আঁচনিসমূহৰ কাম কৰিবলৈ দিছিল, যিহেতু বৃটিছে এইদৰে কৰাটো ভাল পাইছিল।

DailyAssam.Com



চিত্ৰ.১৫.৬

অন্তৰ্বৰ্তী চৰকাৰৰ সদস্যসকল -মাজত ৰাজেন্দ্ৰ প্ৰসাদ, তেওঁৰ সোঁফালে জৱাহৰলাল নেহেৰু আৰু বাওঁফালে চৰ্দ্দাৰ পেটেল। বাওঁফালে একেবাৰে শেষত বহি থকাজন বি. আৰ. আম্বেদকাৰ আৰু সকলোৰে শেষত সোঁফালে বহি থকাজন শ্যামা প্ৰসাদ মুখাৰ্জ্জী।

**উৎস - ২**

## সেইটো বৰ ভাল, মহাশয়-সাহসী ভাষ্য, মহাণ বাণী

সোমনাথ লাহিড়ীয়ে কৈছিল -হয় ছাৰ, পণ্ডিত নেহেৰুক তেওঁৰ, ভাৰতীয় লোকসকলৰ উদ্যমাৰ কাৰণে কৰা সুন্দৰ প্ৰকাশৰ প্ৰতি মই শুভেচ্ছা জনাইছো, যেতিয়া তেওঁ কৈছিল যে ভাৰতীয়সকলে, বৃটিছে জাঁপি দিয়া কোনো কথাই গ্ৰহণ নকৰে। জাপি দিয়া কামৰ প্ৰতি আক্ষেপ আৰু প্ৰতিবাদ কৰা হ'ব, তেওঁ কৈছিল আৰু তেওঁ ইয়াৰ লগতে যোগ দি কৈছিল যে প্ৰয়োজন হ'লে আমি সংগ্ৰামৰ উপত্যকাত পদক্ষেপ দিম। সেইটো বৰ ভাল কথা ছাৰ। - সাহসী ভাষ্য -মহান বাণী।
কিন্তু এইটো নিৰ্ণয় কৰিব লাগিব, কেতিয়া আৰু কেনেকৈ সেই প্ৰত্যাহ্বান প্ৰয়োগ কৰিব। হয় ছাৰ কথাটো হ'ল, প্ৰয়োগ কৰা কাম ইয়াত এতিয়াই আৰম্ভ কৰিব পৰা অৱস্থাত আছে। বৃটিছে ভৱিষ্যতে হ'ব লগা সংবিধান বৃটিছসকলৰ বাবে সন্তোষজনক এটা চুক্তিৰ ওপৰত নিৰ্ভৰ কৰি তৈয়াৰ কৰা নাই, কিন্তু এইটো পৰামৰ্শ আগবঢ়োৱা হৈছে যে প্ৰতিটো সূক্ষ্ম পাৰ্থক্যৰ ক্ষেত্ৰত আপুনি বিষয়টো 'ফেডাৰেল কৰ্ট ' (Federal Court) বা ইংলেণ্ডত থকা আজ্ঞাকাৰী (Dance Attendance) বা বৃটিছ প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এট্‌লি (Clement Attlee) বা যিকোনো দায়িত্বশীল লোকলৈ প্ৰেৰণ কৰিব লাগিব। এইটোও সত্য যে এই সাংবিধানিক সভাই আমাৰ দ্বাৰা যি আঁচনিয়েই ৰূপায়ণ কৰাব খোজে সেইটোৰ সফলতাৰ বাবে বৃটিছ ক্ষমতাৰ ওপৰত নিৰ্ভৰশীল, আমি যিহেতু বৃটিছ শক্তি, বৃটিছ সেনা আৰু তেওঁলোকৰ অৰ্থনৈতিক আৰু বিত্তীয় ক্ষমতাৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ অৰ্থ এইটো যে শীৰ্ষক্ষমতা এতিয়াও বৃটিছৰ হাততে আছে আৰু ক্ষমতাৰ প্ৰশ্নটোৰ এতিয়াও শেষ সিদ্ধান্ত হোৱা নাই, যিটোৰ অৰ্থ হ'ল -ভৱিষ্যতটো এতিয়াও সম্পূৰ্ণ আমাৰ হাতলৈ অহা নাই। অকল সেইটোৱেই নহয়, অলপতে এট্‌লি আৰু অন্যান্যসকলে দিয়া উক্তিয়ে স্পষ্ট কৰে যে যদি প্ৰয়োজন হয়, তেওঁলোকে আনকি সম্পূৰ্ণ বিভক্ত কৰিব বুলিও আপোনাক ভাবুকি দিব। ইয়াৰ মানে ছাৰ, এইখন দেশত কোনো স্বাধীনতা নাই। চৰ্দ্দাৰ বল্লভ বাই পেটেলে কিছুদিনৰ আগেয়ে কোৱাৰ দৰে —"আমি আমাৰ নিজৰ ভিতৰত যুঁজ কৰাৰহে স্বাধীনতা আছে। আমি সেইটোৱেই একমাত্ৰ স্বাধীনতা পাইছো। সেইবাবে আমাৰ বিনম্ৰ পৰামৰ্শটো হ'ল -এই আঁচনি প্ৰস্তুত কৰি আমি কিবা পোৱাৰ প্ৰশ্ন অহা নাই, কিন্তু এতিয়া ইয়াতে স্বাধীনতা ঘোষণা কৰি অন্তৰ্বৰ্ত্তী চৰকাৰ গঠন কৰিব লাগে, ভ্ৰাতৃবৰ্বৰ যুদ্ধ কৰাৰ বাবে ভাৰতীয় জনগণক আহ্বান জনাব লাগে আৰু শত্ৰুৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিব লাগে যাতে যাৰ হাতত এতিয়াও চাবুক আছে অৰ্থাৎ বৃটিছ সাম্ৰাজ্যবাদৰ আৰু আমি একগোট হৈ যুদ্ধ দিও, তেতিয়াহে আমাৰ দাবী পূৰণ হ'ব যেতিয়া আমি মুক্ত হ'ম।"

**CAD.Vol. I**

DailyAssam.Com



➲ বক্তাই সাংবিধানিক সভা বৃটিছৰ কবলত থকা বুলি কিয় ভাবিলে?

নেহেৰুৱে স্বীকাৰ কৰে যে বেছিভাগ জাতীয়তাবাদী নেতাই এখন বেলেগধৰণৰ সাংবিধানিক সভা বিচাৰিছিল। এইটোও সঁচা আছিল যে সাংবিধানিক সভা জন্ম দিয়াত বৃটিছ চৰকাৰৰ হাত আছিল আৰু ইয়াৰ লগত কিছুমান চৰ্ত বান্ধি দিছিল আৰু সভাৰ কাম-কাজ চলাওতে এই চৰ্তসমূহ মানিব লাগিব।" কিন্তু নেহেৰুৱে জোৰ দি কৈছিল "তোমালোকে এই সভা গঠনৰ উৎসটো পাহৰি যাব লাগিব, যিটোৰ পৰা সভাখন শক্তিশালী হ'ব পাৰিছিল।" আৰু নেহেৰুৱে কৈছিল —

> চৰকাৰ ৰাজপত্ৰৰ যোগেদি গঠন নহয়। চৰকাৰসমূহ দৰাচলতে জনসাধাৰণে প্ৰকাশ কৰা ইচ্ছাৰ প্ৰতীক। আমি আজি ইয়াত গোট খাইছো, কাৰণ আমাৰ আঁৰত জনসাধাৰণৰ শক্তি নিহিত আছে আৰু যেতিয়ালৈকে কোনো দল বা গোটক বাদ দি জনসাধাৰণে আমাৰ যাত্ৰাত খোজ মিলাব তেতিয়ালৈকে আমাৰ গতি অক্ষুণ্ণ থাকিব, ভাৰতীয় জনসাধাৰণৰ অন্তৰত নিহিত থকা উদ্বেগৰ কথা সদায় মনত ৰখা উচিত আৰু তাক কাৰ্যত পৰিণত কৰাৰ চেষ্টা কৰিব লাগে।

সাংবিধানিক সভাই স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাসকলৰ আকাঙ্খ্যা পূৰণ কৰিব বুলি আশা কৰা হৈছিল। গণতন্ত্ৰ, সমতা আৰু সুবিচাৰ —এই আদৰ্শসমূহৰ উনবিংশ শতিকাৰ পৰা ভাৰতৰ সামাজিক সংগ্ৰামৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিল। উনবিংশ শতিকাত যেতিয়া সমাজ সংস্কাৰকসকলে বাল্যবিবাহৰ বিৰোধীতা কৰিছিল আৰু বিধবাসকলৰ পুনৰবিবাহৰ অনুমতি দাবী কৰিছিল, তেওঁলোকে সামাজিক ন্যায় বিচাৰৰ বাবে যুক্তি পোষণ কৰিছিল। যেতিয়া স্বামী বিবেকানন্দই হিন্দুত্বৰ সংশোধনৰ বাবে প্ৰচাৰ অভিযান চলাইছিল, তেওঁ ধৰ্মসমূহ বেছি নাৰ্য্য হোৱাটো বিচাৰিছিল। মহাৰাষ্ট্ৰত যেতিয়া জ্যোতিবা ফুলেই নীচ জাতিবিলাকৰ দুৰ্ভোগ বা কমিউনিষ্ট আৰু সমাজবাদীসকলৰ সংগঠিত কৰ্মী আৰু কৃষকসকলৰ দুৰ্ভোগ-যাতনাৰ কথা আঙুলিয়াই দিছিল তেতিয়া তেওঁলোকে অৰ্থনৈতিক আৰু সামাজিক ন্যায় বিচাৰৰ দাবী কৰিছিল। এখন চৰকাৰৰ বিৰুদ্ধে কৰা জাতীয় আন্দোলন, যিখন চৰকাৰ অত্যাচাৰী আৰু অবৈধ বুলি জনা গৈছিল। গণতন্ত্ৰ আৰু ন্যায়বিচাৰ, নাগৰিকসকলৰ অধিকাৰ আৰু সমতাৰ বাবে কৰা এটা এৰাব নোৱাৰা সংগ্ৰাম।

প্ৰকৃততে প্ৰতিনিধিত্বৰ বাবে দাবী উত্থাপন কৰাৰ লগে লগে এলানি সাংবিধানিক সংশোধন কৰাৰ বাবে বৃটিছক বাধ্য কৰাইছিল। ১৯০৯,১৯১৯আৰু ১৯৩৫ কেইখনমান আইন প্ৰণয়ন কৰিছিল আৰু লাহে লাহে প্ৰাদেশিক চৰকাৰত ভাৰতীয়ৰ অংশগ্ৰহণৰ সুবিধা বৃদ্ধি কৰিছিল। ১৯১৯ চনত প্ৰশাসনিক বিষয়াসকলক প্ৰাদেশিক বিধানসভাৰ আংশিক দায়িত্ব দিছিল আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন মতে প্ৰায় গোটেইখিনি দায়িত্ব প্ৰদান কৰিলে। ১৯৩৭ চনত অনুষ্ঠিত হোৱা নিৰ্বাচনত কংগ্ৰেছে ১১ খন প্ৰদেশৰ ভিতৰত ৮ খনত ক্ষমতা দখল কৰিছিল।

চিত্ৰ,১৫.৭
এডউইন মণ্টেগু (বাওঁফালে) ১৯১৯ চনৰ মণ্টেগু চেমচ ফোৰ্ড আইনৰ স্ৰষ্টা আছিল ,যিখন আইনে প্ৰাদেশিক বিধানসভাত কিছুপৰিমাণে প্ৰতিনিধিত্বৰ অনুমোদন জনাইছিল।



DailyAssam.Com



➲ আলোচনা

জৱাহৰলাল নেহেৰুৱে কৰ্মপন্থা বা উদ্দেশ্যধৰ্মী প্ৰস্তাৱনাত (Objective Resolution) অন্তৰ্ভুক্ত কৰা ভাবসমূহ কি আছিল?

তথাপি আমি আগৰ সাংবিধানিক উন্নতিক্ৰম আৰু ১৯৪৬ চনৰ পৰা পিছৰ তিনিবছৰত কি ঘটিল এই দুয়োটাৰ মাজত ধাৰাবাহিক অখণ্ডতা বিচৰাটো উচিত নহয়। আগৰ সাংবিধানিক অভিজ্ঞতাসমূহ আছিল এখন প্ৰতিনিধিত্বমূলক চৰকাৰ গঠনৰ দাবীত উত্থাপনৰ সন্দৰ্ভত (১৯০৯, ১৯১৯ আৰু ১৯৩৫) এই আইন কেইখনে প্ৰত্যক্ষভাৱে বিতৰ্ক আৰু সিদ্ধান্ত কৰা নাছিল। এই আইনসমূহ উপনিবেশবাদী চৰকাৰে প্ৰণয়ন কৰিছিল। বিগত বছৰসমূহত প্ৰাদেশিক গোটসমূহ নিৰ্বাচন কৰা ভোটাৰসকলৰ সংখ্যা বৃদ্ধি পাইছে, আনকি ১৯৩৫ চনতো এই ভোটাৰৰ সংখ্যা প্ৰাপ্তবয়স্ক জনসংখ্যাৰ শতকৰা ১০ ৰ পৰা ১৫ ভাগৰ বেছি নাছিল, সেই সময়ত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ নাছিল। বিধায়িনী সদস্যসকলক উপনিবেশবাদী চৰকাৰৰ নিয়মৰ ভিতৰত কাৰ্যকৰী কৰা ১৯৩৫ চনৰ আইন অনুসৰি নিৰ্বাচিত কৰা হৈছিল আৰু বৃটিছ চৰকাৰে নিযুক্ত কৰা ৰাজ্যপালৰ হৈ কাম কৰিব লাগিছিল। নেহেৰুৱে ১৯৪৬ চনৰ ১৩ ডিচেম্বৰত উপস্থাপন কৰিব খোজা আঁচনিখন আছিল এখন স্বাধীন সাৰ্বভৌম ভাৰত প্ৰজাতন্ত্ৰ সংবিধান।

## ৩. অধিকাৰৰ সংজ্ঞা

প্ৰতিজন নাগৰিকৰ অধিকাৰসমূহৰ সংজ্ঞা কেনেকৈ দিয়া হৈছিল? নিষ্পেষিতসকলৰ বাবে কিবা বিশেষ অধিকাৰ দিয়া হৈছিল নেকি? সংখ্যালঘুসকলক কি কি অধিকাৰ লাগিব? প্ৰকৃততে কাক সংখ্যালঘু বুলি কোৱা হৈছিল? যিহেতু সাংবিধানিক সভাৰ মজিয়াত চলি থকা বিতৰ্ক শেষ হোৱা নাই, এইটো জানিব পৰা গৈছিল যে সভাত এই প্ৰশ্নসমূহৰ এটাৰো উত্তৰ সকলোৰে যুক্তমতত দিব পৰা অৱস্থাত নাছিল। উত্তৰসমূহ মতানৈক্য আৰু ব্যক্তিগত নাটকীয় প্ৰতিক্ৰিয়াৰ যোগেদি উদঘাটন কৰা হৈছিল। নেহেৰুৱে তেওঁৰ উদ্বোধনী ভাষণত "জনগনৰ ইচ্ছা" বুলি উনুকিয়াইছিল আৰু ঘোষণা কৰিছিল যে সংবিধানখন প্ৰস্তুত কৰা সকলে "জনসাধাৰণৰ অন্তৰত নিহিত থকা ইচ্ছাসমূহ" পূৰণ কৰিব লগা হৈছিল। এইটো সহজসাধ্য কাম নাছিল। স্বাধীন হোৱাৰ সম্ভাৱনাৰে বেলেগ বেলেগ গোটে বেলেগে বেলেগ ধৰণে তেওঁলোকৰ ইচ্ছা প্ৰকাশ কৰিছিল আৰু বেলেগ বেলেগ দাবী উত্থাপন কৰিছিল। এইবিলাকৰ ওপৰত বিতৰ্ক কৰি সন্মতি প্ৰকাশ কৰাৰ আগতে বিপৰীতমুখী ধাৰণাবিলাক বাহিৰ কৰিব লগা হৈছিল।

### ৩.১ পৃথক নিৰ্বাচন ব্যৱস্থাত সমস্যা

১৯৪৭ চনৰ ২৭ আগষ্টত মাদ্ৰাজৰ বি.প'কাৰ বাহাদুৰে (B.Pocker Bahadur) পৃথক নিৰ্বাচন ব্যৱস্থাৰ সপক্ষে এক শক্তিশালী যুক্তি দাঙি ধৰিছিল। বাহাদুৰে মত পোষণ কৰিছিল যে সকলো অঞ্চলতে বাস কৰা সংখ্যালঘুসকলক আঁতৰাই পঠিয়াব নোৱাৰি অথবা তেওঁলোকক অস্তিত্বহীন কৰিবও নোৱাৰি। এনে এটা ৰাজনৈতিক সমাধান গাঠনিৰ সৃষ্টি কৰিব লাগিব যিটোৰে বেলেগ বেলেগ সম্প্ৰদায়বিলাকৰ মাজত থকা ব্যৱধান আঁতৰাব আৰু সংখ্যালঘুসকলে আনৰ লগত সম্প্ৰীতিৰে বসবাস কৰিব পাৰিব। যদিহে

DailyAssam.Com



সংখ্যালঘুসকলক ৰাজনৈতিক প্ৰক্ৰিয়াত প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হয়, তেওঁলোকৰ কথা শুনা হয় আৰু মতামত গ্ৰহণ কৰা যায়, তেনেহ'লে এইটো সম্ভৱপৰ হ'ব। পৃথক নিৰ্বাচনে মুছলীমসকলক চৰকাৰ শাসনব্যৱস্থাত উপযুক্ত অংশীদাৰ হোৱাটো নিশ্চিত কৰিব। বাহাদুৰে উপলব্ধি কৰিছিল যে অমুছলমানসকলে মুছলমানসকলৰ দাবীসমূহ একেবাৰে বুজি নাপায়, তেওঁলোকে আনকি অমুছলমানসকলে যে এজন প্ৰকৃত মুছলীম প্ৰতিনিধি নিৰ্বাচিত কৰিব পাৰিব সেইটোত সন্দেহ প্ৰকাশ কৰে।

পৃথক নিৰ্বাচনৰ দাবীটোৱে সৰহভাগ জাতীয়তাবাদীক অসন্তুষ্ট আৰু হতাশ কৰিলে। বিষয়টোৱে তুমুল বাক-বিতণ্ডাৰ সৃষ্টি কৰিলে আৰু এই দাবীৰ বিৰোধিতা কৰি বহুত মতামত আগবঢ়োৱা হ'ল। বৃটিছসকলে ভাৰতীয়সকলৰ বিভাজন আনিবৰ কাৰণে পৃথক নিৰ্বাচন ইচ্ছাকৃতভাৱে উত্থাপন কৰা বুলি অধিক সংখ্যক জাতীয়তাবাদীয়ে ধৰি লৈছিল। আৰ.ভি.ধুলেকাৰে (R.V.Dhulekar) বাহাদুৰক কৈছিল "বৃটিছসকলে তোমালোকক (সংখ্যালঘুসকলক)শান্ত কৰি নিজৰ স্থান নিৰাপদ কৰাৰ উদ্দেশ্যে বহুদিন ধৰি এই প্ৰলোভন দেখুৱাই আহিছিল.. এতিয়া তোমালোকক বিপথে পৰিচালনা কৰিবলৈ কোনো নাই।"

বিভাজনে জাতীয়তাবাদীসকলক পৃথক নিৰ্বাচনৰ ধাৰণাটোৰ নম্ৰভাৱে বিৰোধিতা কৰিছিল। ধাৰাবাহিক গৃহযুদ্ধ, বিদ্ৰোহ আৰু হিংসাৰ ভয়ত তেওঁলোক মতিভ্ৰম হৈ পৰিছিল। চৰ্দ্দাৰ পেটেলে ঘোষণা কৰামতে "সুকীয়া নিৰ্বাচন আমাৰ দেশৰ শাসকসকলৰ গাত সোমাই পৰা এবিধ বিহ।" এটা সম্প্ৰদায়ে অন্য এটা সম্প্ৰদায়ৰ বিৰুদ্ধে কৰা দাবী উত্থাপনে দেশ বিভাজন আৰু ৰক্তাক্ত হত্যা উদ্ভৱ কৰিলে আৰু দেশখনৰ শোকাবহ বিভাজনৰ পৰিণতি কৰিলে। "তোমালোকে দেশত শান্তি বিচাৰানে? যদি বিচাৰা তেনেহ'লে সুকীয়া নিৰ্বাচনৰ মনোভাৱ ত্যাগ কৰা" বুলি পেটেলে আহ্বান জনাইছিল।

পৃথক নিৰ্বাচনৰ দাবীৰ বিৰোধিতা কৰি গোবিন্দ বল্লভ পন্টে ঘোষণা কৰিছিল যে ই অকল জাতিটোৰ বাবেই নহয়, সংখ্যালঘুসকলৰ বাবেও



চিত্ৰ,১৫.৮ - ১৯৪৬ চনৰ শীতকালত বৃটিছ প্ৰধানমন্ত্ৰী এট্‌লিৰ লগত এলানি আলোচনা কৰিবৰ কাৰণে ভাৰতীয় নেতাসকলে ইংলেণ্ডলৈ গৈছিল, যি আলোচনা অৰ্থহীন হৈ পৰিছিল। (বাওঁফালৰ পৰা সোঁফাললৈ-লিয়াকৎ আলি, মহম্মদ আলি জিন্না, বলদেৱ সিং আৰু পেথিক লৰেন্স।)

**উৎস - ৩**

## বৃটিছসকল গ'ল, কিন্তু ক্ষতিসাধন কৰি থৈ গ'ল

চৰ্দ্দাৰ বল্লভ ভাই পেটেলে কৈছিল -" আমি পৃথক নিৰ্বাচন বিচাৰিছো বুলিকোৱা কথাষাৰৰ কোনো অৰ্থ নাই, কাৰণ এইটো আমাৰ কাৰণে ভাল। আমি এইটো বহুদিন ধৰি শুনিছিলো। আমি এইটো বহুবছৰ ধৰি শুনিছিলো আৰু এই আন্দোলনৰ ফলস্বৰূপে আমি এতিয়া বেলেগ জাতি হ'লো ... তোমালোকে মোক এনে এখন স্বাধীন দেশ দেখুৱাব পাৰিবানে য'ত পৃথক নিৰ্বাচন আছে? যদি আছে, মই এইটো মানি ল'বলৈ সাজু আছো। কিন্তু এইখন দুৰ্ভগীয়া দেশত এই পৃথক নিৰ্বাচন যদি তিষ্ঠি থাকিবই লগা হয়, আনকি দেশখন বিভক্ত হোৱাৰ পিছতো দেশখনত দুৰ্ভোগ চলিয়ে থাকিব আৰু ইয়াত বাস কৰাৰ বাবে অনুপযোগী হ'ব। সেইবাবে মই কওঁ, অকল মোৰ ভালৰ বাবে নহয়, এইটো তোমালোকৰ নিজৰ কাৰণেও ভাল। মই কওঁ অতীতক পাহৰি যোৱা। এদিন আমি একগোট হ'ব পাৰিম ... বৃটিছসকল গ'ল কিন্তু তেওঁলোকে আমাৰ ক্ষতিসাধন কৰি থৈ গ'ল। আমি সেই অপকাৰ চিৰকলিয়া কৰিব খোজা নাই (শুনা, শুনা)। বৃটিছে আমাৰ মাজত এই বিভেদৰ সৃষ্টি কৰাৰ সময়ত তেওঁলোকে যে সোনকালেই যাব লাগিব এইটো ভবা নাছিল। তেওঁলোকে এই বিভেদ কামনা কৰিছিল তেওঁলোকৰ শাসন সহজ কৰিবৰ কাৰণে, সেইটো বাৰু ঠিক আছে, কিন্তু এইটোৰ দ্বাৰা তেওঁলোকৰ উত্তৰাধিকাৰ ৰাখি থৈ গ'ল। আমি ইয়াৰ কবলৰ পৰা মুক্ত হ'ব বিচাৰো, নে নিবিচাৰো?" **CAD, Vol V**

DailyAssam.Com



ক্ষতিকাৰক। তেওঁ বাহাদুৰৰ লগত একমত হৈ কৈছিল যে এটা গণতন্ত্ৰৰ কৃতকাৰ্যতা নিৰ্ণয় কৰিব লগা হৈছিল,বেলেগ বেলেগ শ্ৰেণীৰ মানুহৰ মাজত জগাই তোলা বিশ্বাসৰ ওপৰত। তেওঁ এইটোও মানি লৈছিল যে এখন স্বাধীন দেশৰ প্ৰতিজন নাগৰিকক এনেধৰণে চাব লাগে যাতে তেওঁ সন্তুষ্ট হয়। "অকল প্ৰয়োজনীয় বিষয়বস্তু প্ৰাপ্তিৰে নহয়, আধ্যাত্মিকতাবোধৰ পৰা আত্মসন্ধান লাভ কৰাটোৰ পৰাও" আৰু গৰিষ্ঠ সম্প্ৰদায়সমূহ বো সংখ্যালঘুসকলৰ সমস্যাসমূহৰ বিষয়ে জানিবলৈ আৰু বুজিবলৈ দায়বদ্ধ আছিল আৰু তেওঁলোকে এই বিষয়টোৰ ওপৰত উৎসাহেৰে গুৰুত্ব দিব লাগিছিল। তথাপি পণ্টে পৃথক নিৰ্বাচনৰ ধাৰণাটোৰ বিৰোধিতা কৰে। এইটো এটা আত্মঘাতী দাবী আছিল বুলি যুক্তি দৰ্শায়, সেইটোৱে সংখ্যালঘুসকলক চিৰকালৰ বাবে পৃথক কৰিব, তেওঁলোকক অসুৰক্ষিত কৰিব আৰু চৰকাৰৰ ভিতৰত কোনো ফলদায়ক বক্তব্যৰ পৰা বঞ্চিত কৰিব।

উৎস - ৪

## "মই ভাবো পৃথক নিৰ্বাচন সংখ্যালঘুসকলৰ বাবে আত্মঘাতী হ'ব"

১৯৪৭ চনৰ ১৭ আগষ্টত বিতৰ্ক চলি থাকা সময়তে গোবিন্দ বল্লভ পণ্টে কৈছিল —

"মই ভাবো পৃথক নিৰ্বাচন সংখ্যালঘুসকলৰ বাবে আত্মঘাতী হ'ব আৰু তেওঁলোকক সাংঘাটিক অনিষ্ট কৰিব। তেওঁলোক যদি চিৰকালৰ বাবে অকলশৰীয়া হৈ যায়, তেওঁলোক কেতিয়াও সংখ্যাগৰিষ্ঠ হ'ব নোৱাৰিব আৰু হতাশাৰ অনুভৱে তেওঁলোকক আনকি আৰম্ভণিৰে পৰা পঙ্গু কৰিব। তোমালোকে কি বিচাৰা আৰু আমাৰ অন্তিম উদ্দেশ্য কি? সংখ্যালঘুসকলে সদায়ে সংখ্যালঘু হৈ থাকিব বিচাৰে বা তেওঁলোকে এটা বিশাল জাতিৰ অপৰিহাৰ্য অংশ হৈ থাকিব খোজে আৰু তেনেদৰে তেওঁলোকৰ উদ্দেশ্যসমূহৰ পথ প্ৰদৰ্শক আৰু নিয়ন্ত্ৰণ কৰিব খোজে। যদি সেইটো কৰে, তেন্তে বাকী সম্প্ৰদায়বিলাকৰ পৰা পৃথক হৈ অকলশৰীয়াকৈ তেওঁলোকে সেই আকাঙ্খা আৰু আদৰ্শ লাভ কৰিব পাৰিবনে? মই ভাবো, তেওঁলোকে আন জাতিসমূহৰ পৰা পৃথক হোৱাটো তেওঁলোকৰ কাৰণে অত্যন্ত বিপদজনক আৰু বতাহ সোমাব নোৱাৰা এটা আবাসগৃহ আবদ্ধ হৈ ৰ'ব, য'ত তেওঁলোকে আনকি উশাহ ল'বৰ কাৰণে বতাহ পাবলৈ আনৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব...। সংখ্যালঘুসকল পৃথক নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত হ'লেও তেওঁলোকৰ কোনো সফল অভিমত নাথাকিব।"

CAD, Vol II.

➲ উৎস - ৩ আৰু ৪ পঢ়া পৃথক নিৰ্বাচনৰ বিৰুদ্ধে কি ভিন্ন ভিন্ন যুক্তি আগবঢ়াইছে?

এই সকলোবিলাক যুক্তি-তৰ্কৰ আঁৰত এখন সংযুক্ত জাতি ৰাষ্ট্ৰ গঠন কৰা উদ্দেশ্য আছিল। ৰাজনৈতিক একতা আৰু এটা জাতি নিৰ্মাণ কৰিবলৈ প্ৰতিজন ব্যক্তিয়েই দেশখনৰ নাগৰিক বুলি ভাবিব লগা হৈছিল, আৰু প্ৰতিটো

DailyAssam.Com



দল বা এটা জাতিৰ ভিতৰত মিলিত হ'ব লাগিছিল। সংবিধানে নাগৰিকসকলক অধিকাৰ প্ৰদান কৰিব, কিন্তু নাগৰিকসকলেও দেশখনৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব লাগিব। সম্প্ৰদায়সমূহক সাংস্কৃতিক অস্তিত্বৰ দ্বাৰা চিনাক্ত কৰিব বিচাৰিছিল আৰু সাংস্কৃতিক অধিকাৰ দিয়া হৈছিল। যি কি নহওঁক, ৰাজনৈতিকভাৱে সকলো সম্প্ৰদায়ৰ লোক এখন দেশত সমমৰ্য্যাদাসম্পন্ন অন্যথা আনুগত্যতাৰ তাৰতম্য ঘটিব। নাগৰিক হিচাবে কেতিয়াও নাভাবি সম্প্ৰদায় হিচাবে অহিতকৰ আৰু কিছুপৰিমাণে নিম্নখাপৰ ভাৱধাৰা পোষণ কৰাটো এটা সাধাৰণ অভ্যাস বুলি পন্তে কৈছিল। তেওঁ আৰু কৈছিল -"আমি নাগৰিকসকলক মনত ৰাখিবই লাগিব; নাগৰিকসকলেই সামাজিক স্তম্ভটোৰ গুৰিটো আৰু ওপৰভাগ গঠন কৰে, আনকি সম্প্ৰদায়সকলৰ অধিকাৰক স্বীকৃতি দিয়া হৈছিল যদিও বহুতো জাতীয়তাবাদীৰ মাজত এটা লুকাই থকা ভয় আছিল যে এইটোৱে আনুগত্যতাৰ পাৰ্থক্য আনিব আৰু এটা শক্তিশালী জাতি আৰু এক শক্তিশালী দেশ গঢ়াত জটিলতা আহি পৰিব।"

সকলো মছলমান লোকে পৃথক নিৰ্বাচনৰ দাবীটোত সমৰ্থন জনোৱা নাছিল। উদাহৰণস্বৰূপে বেগম আইজাজ ৰছুলে (Begum Aizaz Rasul) অনুভৱ কৰিছিল যে পৃথক নিৰ্বাচন আত্মহানিকাৰক,যিহেতু সেইটোৱে সংখ্যালঘুসকলক সংখ্যাগৰিষ্ঠসকলৰ পৰা অকলশৰীয়া কৰিব। ১৯৪৯ চনৰ সাংবিধানিক সভাৰ বেছিভাগ মুছলমান সদস্যই সহমত আছিল যে পৃথক নিৰ্বাচন সংখ্যালঘুসকলৰ স্বাৰ্থবিৰোধী। তাৰ পৰিৱৰ্তে মুছলমানসকলে গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণ কৰিব লাগে, যাতে দেশৰ ৰাজনৈতিক ব্যৱস্থাত তেওঁলোকৰ এক নিৰ্ণায়ক অভিমত থাকে।

### ৩.২ "এই প্ৰস্তাৱতকৈ আমাক বহুত বেছি আৱশ্যক"

প্ৰস্তাৱটোৰ লক্ষ্যসমূহক আদৰণি জনাই আন্দোলনৰ নেতা সমাজবাদী এন.জি.ৰঙ্গাই (N.G.Ranga) সংখ্যালঘু সংজ্ঞাটোক আৰ্থিক অৱস্থাৰ দ্বাৰাহে নিৰ্ণয় কৰিব লাগে বুলি আহ্বান জনালে। ৰাঙ্গাৰ মতে দৰিদ্ৰ আৰু দলিত লোকসকলেহে প্ৰকৃত সংখ্যালঘু।তেওঁ, সংবিধানে প্ৰতিজন ব্যক্তিক প্ৰদান কৰা আইনগত অধিকাৰসমূহ আদৰণি জনায়, কিন্তু ইয়াৰ সীমাবদ্ধতামূহলৈ আঙুলিয়াই দিয়ে। তেওঁ মত পোষণ কৰে যে গাঁৱৰ দৰিদ্ৰ লোকসকলৰ কাৰণে জীয়াই থকাৰ আৰু সম্পূৰ্ণ নিয়োগৰ কাৰণে থকা মৌলিক অধিকাৰৰ বিষয়ে জনাটো বা তেওঁলোকে মিটিং কৰা, সভা অনুস্থিত কৰা , একেলগে গোট খাব পৰা আৰু অন্যান্য অসামৰিক স্বাধীনতাৰ অধিকাৰৰ বিষয়ে জনাটো অৰ্থহীন কথা। সংবিধানত অন্তৰ্ভুক্ত কৰা এই অধিকাৰসমূহ অৰ্থমূলকভাৱে উপভোগ কৰিব পৰা চৰ্তবিলাক তৈয়াৰ কৰাটোহে আৱশ্যক আছিল। এইটোৰ বাবে তেওঁলোকক সুৰক্ষাৰ প্ৰয়োজন। ৰাঙ্গাই কৈছিল -"তেওঁলোকক ঢোকা লাগে। তেওঁলোকক এডাল জখলা লাগে।"

**উৎস - ৫**

**"কোনো পৃথক আনুগত্য হ'ব নোৱাৰে"**

গোবিন্দ বল্লভ পন্টে যুক্তি দৰ্শাইছিল যে অনুগত নাগৰিক হ'বলৈ মানুহে অকল নিজৰ আৰু নিজৰ সম্প্ৰদায়ৰ প্ৰতি মনোযোগ দিয়াটো বন্ধ কৰিব লাগিব।

গণতন্ত্ৰৰ কৃতকাৰ্যতাৰ বাবে নিজা নিয়মানুবৰ্তিতাৰ দক্ষতা নিজে শিকিব লাগিব। গণতন্ত্ৰ এজনে নিজৰ কাৰণে কম আৰু আনৰ কাৰণে বেছি যত্ন লোৱা উচিত। তাত কোনো পৃথক আনুগত্য থাকিব নালাগিব। সকলো আনুগত্য একচেতীয়াভাৱে নিজৰ দেশখনক কেন্দ্ৰ কৰি হ'বই লাগিব। এটা গণতন্ত্ৰৰ যদি তুমি সাধুতাৰ প্ৰতিদ্বন্দী সৃষ্টি কৰা বা এনে এটা প্ৰণালী তৈয়াৰ কৰা যিটোত যিকোনো ব্যক্তি বা দলে, তেওঁ বা তেওঁলোকৰ নিজৰ নিজৰ স্বাৰ্থৰ কথা ভাবি বৃহত্তৰ স্বাৰ্থৰ কথাত আওকাণ কৰে,তেনেহ'লে গণতন্ত্ৰ বিনাশ হ'ব।

➲ জি.বি পন্টে সু-নাগৰিকৰ গুণসমূহ কেনেদৰে ব্যাখ্যা কৰিছে?

DailyAssam.Com



## "প্ৰকৃত সংখ্যালঘুসকল এইখন দেশৰ জনসাধাৰণ"

জৱাহৰলাল নেহেৰুৱে উত্থাপন কৰা উদ্দেশ্যমূলক প্ৰস্তাৱটোক আদৰণি জনাই এন.জি. ৰাঙ্গাই কৈছিল

"ছাৰ, সংখ্যালঘুৰ বিষয়ে বহুতো কথা-বতৰা হ'ল। প্ৰকৃত সংখ্যালঘু কোন? তথাকথিত পাকিস্থানৰ প্ৰদেশত হিন্দুসকল, শিখসকল আনকি মুছলীমসকলো নহয়, প্ৰকৃত সংখ্যালঘুসকল হ'ল দেশখনৰ জনসাধাৰণ। এই মানুহখিনি এতিয়ালৈকে অৱহেলিত আৰু নিষ্পেষিত আৰু অৱদমিত লোক। সেইবাবে সাধাৰণ সামাজিক অধিকাৰৰ সুবিধাখিনিও গ্ৰহণ কৰিবলৈ সমৰ্থ নহয়, অৱস্থাটো কেনেকুৱা ? তুমি জনজাতি অঞ্চললৈ যোৱা — আইনমতে, তেওঁলোকৰ নিজ পৰম্পৰাগত নিয়ম-কানুন, তেওঁলোকৰ জনজাতীয় আইন আৰু তেওঁলোকৰ মাটিও তেওঁলোকৰ পৰা বিচ্ছিন্ন কৰি নিব নোৱাৰে। তথাপি আমাৰ সদাগৰসকল এই জনজাতি এলেকাসমূহলৈ গৈ মুকলি বজাৰৰ নামত তেওঁলোকৰ মাটি কাঢ়ি লয়। এইদৰে যদিও তেওঁলোকৰ মাটি কাঢ়ি লোৱাটো আইনবিৰোধী, এতিয়াও বেপাৰীসকলে জনজাতীয় লোকসকলক বিভিন্ন প্ৰকাৰৰ চুক্তিপত্ৰৰ যোগেদি বেলেগ বেলেগ ধৰণৰ দাস হিচাবে ব্যৱহাৰ কৰি আছে আৰু এইটো বংশানুক্ৰম চুক্তিবদ্ধ দাসত্বলৈ ৰূপান্তৰিত কৰিছে। এতিয়া আমি সাধাৰণ গাঁওবাসীৰ ওচৰলৈ যাওঁ -তালৈ টকা ধাৰে দিয়া লোকসকলে জেপত টকা লৈ যায় আৰু গাওঁবাসীসকলক তেওঁলোকৰ জেপৰ ভিতৰত ৰাখিবলৈ সক্ষম হয়। তাত স্বয়ম্ভূ মাটিৰ মালিক, জমিদাৰ আৰু মালগুজাৰ লগতে বেলেগ বেলেগ প্ৰকাৰৰ লোকসকল আছে, যিসকলে এই দুখীয়া গাওঁবাসীক শোষণ কৰিবলৈ সমৰ্থ হৈছে। তাতে এই মানুহবিলাকৰ আনকি প্ৰাথমিক শিক্ষাও নাই। এওঁলোকেই প্ৰকৃত সংখ্যালঘু যিসকলক সুৰক্ষা আৰু সুৰক্ষাৰ বাবে আশ্বাসৰ দৰকাৰ। তেওঁলোকক আৱশ্যকীয় সুৰক্ষা দিবৰ কাৰণে আমাৰ এই প্ৰস্তাৱটোতকৈ বহুত বেছি কৰ্মপন্থাৰ দৰকাৰ।"

CAD : Vol. II

➲ ৰাঙ্গাই সংখ্যালঘুৰ ধাৰণাটোৰ সংজ্ঞা কেনেদৰে দিছে?

ৰঙ্গাই ভাৰতৰ বৃহৎ জনসাধাৰণক বিভাজন কৰিব খোজাসকলক আৰু যিসকলে জনসাধাৰণৰ হৈ সংবিধান সভাত কোৱা বুলি দাবী কৰিছে তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰি কৈছিল —

"আমি আচলতে কাৰ প্ৰতিনিধিত্ব কৰিব লাগে? আমাৰ দেশৰ সাধাৰণ মানুহবিলাকৰ আৰু তথাপি আমাৰ বেছিভাগেই এই জনগণৰ লগত খাপ নাখায়। আমি তেওঁলোকৰ, আমি তেওঁলোকৰ হৈ থিয় দিবলৈ ইচ্ছা কৰোঁ। কিন্তু জনগণে নিজেই সাংবিধানিক সভালৈ আহিবলৈ সমৰ্থ নহয়। এইটোৱে কিছুসময় ল'ব পাৰে, ইতিমধ্যে তেওঁলোকৰ সেৱক হিচাপে, তেওঁলোকৰ হৈ যুঁজ দিবলৈ আমি ইয়াত আছো আৰু সাধ্যানুসাৰে তেওঁলোকৰ হৈ মাত মতাৰ চেষ্টা কৰিম।"

DailyAssam.Com

ৰঙ্গাই উল্লেখ কৰা এটা গোট হ'ল জনজাতিসকল। তেওঁলোকৰ মাজৰ এজন প্ৰতিভাশালী বক্তা হ'ল জয়পাল সিং। "উদ্দেশ্যমূলক প্ৰস্তাবনা"ক আদৰণি জনাই সিঙে কৈছিল —

"এজন আদিবাসী হিচাবে, মই প্ৰস্তাবনাৰ আইনৰ মেৰপাকবোৰ বুজি পোৱাটো আশা কৰিব নোৱাৰো। কিন্তু মোৰ সাধাৰণ জ্ঞানেৰে ঢুকি পোৱামতে, আমাৰ প্ৰতিজনেই এনে এটা ৰাস্তাইদি যোৱা উচিত যাতে আমি একেলগে স্বাধীনতাৰ বাবে যুঁজ দিব পাৰো। ছাৰ, যদি নিচলা বুলি ব্যৱহাৰ কৰা এনে কোনো ভাৰতীয় সম্প্ৰদায়ৰ গোটে আছে - তেওঁলোক মোৰেই মানুহ। যোৱা ৬০০০ বছৰে তেওঁলোকক অশোভনীয় ব্যৱহাৰ আৰু অৱহেলা কৰি আহিছে...। মানুহৰ গোটেই ইতিহাসটো অনা-আদিম ভাৰতীয়ৰ দ্বাৰা ধাৰাবাহিক শোষণ আৰু বহিৰাগতৰ দ্বাৰা বেদখল, ৰাজদ্ৰোহী আৰু বিশৃংখলৰ দ্বাৰা স্থবিৰ কৰি ৰখাটো মোৰ পৰিলক্ষিত হৈছে। তথাপি মই পণ্ডিত জৱাহৰলাল নেহেৰুৰে কোৱা কথাষাৰ —"মই তোমালোক সকলোৰে কোৱা কথা, অৰ্থাৎ আমি এতিয়া এটা নতুন অধ্যায় আৰম্ভ কৰিব খুজিছো, স্বাধীন ভাৰতৰ এটা নতুন অধ্যায়, য'ত সকলোৰে সমান সুবিধা থাকিব, য'ত কাকো অৱহেলা কৰা নহ'ব" মানি লৈছো।"

সিঙে তেওঁৰ বাকচতুৰ ভাষণত জনজাতিসকলৰ সুৰক্ষাৰ আৱশ্যকতা আৰু সৰ্বসাধাৰণ মানুহৰ পৰ্যায়লৈ আহিবলৈ সহায় কৰা অৱস্থাবিলাক নিশ্চিত কৰাৰ ওপৰত জোৰ দিয়ে। জনজাতিসকল সংখ্যাত কম নহয়, কিন্তু তেওঁলোকৰ সুৰক্ষাৰ প্ৰয়োজন বুলি সিঙে যুক্তি দিয়ে। তেওঁলোকে বাস কৰা মাটিৰ পৰা উচ্ছেদ কৰা,তেওঁলোকক হাবি-জঙ্ঘল আৰু খালি ৰখা ঠাইৰ পৰা বঞ্চিত কৰা আৰু নতুন ঘৰৰ সন্ধানত যাবলৈ হেঁচা দিয়া হৈছিল। তেওঁলোকক আদিম আৰু পিছপৰা বুলি হেয়জ্ঞান কৰি সমাজৰ অন্য লোকসকলে তেওঁলোকৰ পৰা আঁতৰত থাকিছিল আৰু অৱজ্ঞা কৰিছিল। জনজাতিসকলক আনজাতিৰ লোকসকলৰ পৰা আবেগিক আৰু শাৰীৰিকভাৱে আতৰত ৰখা ব্যৱধানটো নাইকিয়া কৰাৰ বাবে তেওঁ এটা অৰ্ন্তস্পৰ্শী অনুৰোধ জনালে -"আমাৰ যুক্তিটো হ'ল -তোমালোকে আমাৰ লগত একেলগ হ'বলৈ সুবিধা পাইছা। আমিও তোমালোকৰ লগত হ'বলৈ ইচ্ছা কৰিছো ...।" সিঙে পৃথক নিৰ্বাচন বিচৰা নাছিল, কিন্তু তেওঁ অনুভৱ কৰিছিল যে বিধায়িনী সভাত জনজাতীয়সকলৰ বাবে আসন সংৰক্ষণ ব্যৱস্থাৰ প্ৰয়োজন, যৰি ফলত জনজাতিৰ লোকসকলে নিজে প্ৰতিনিধিত্ব লাভ কৰিব পাৰিব। আন সম্প্ৰদায়ৰ লোকসকলক জনজাতিসকলৰ বক্তব্য শুনিবলৈ আৰু তেওঁলোকৰ কাষ চাপিবলৈ বাধ্য কৰাৰ এইটোৱেই উপায় বুলি সিঙে কৈছিল।

### ৩.৩ আমাক হেজাৰ বছৰ দমন কৰি ৰাখিছিল

সংবিধানে অৱহেলিত সম্প্ৰদায়ৰ অধিকাৰৰ ব্যাখ্যা কেনেধৰণে দিছিল? জাতীয় আন্দোলনৰ সময়ত আম্বেদকাৰে অৱহেলিত সম্প্ৰদায়ৰ বাবে পৃথক নিৰ্বাচনৰ দাবী কৰিছিল আৰু মহাত্মা গান্ধীয়ে ইয়াৰ বিৰোধীতা কৰিছিল, গান্ধীৰ যুক্তিটো হ'ল এইটোৱে তেওঁলোকক সমাজৰ বাকী

DailyAssam.Com



উৎস - ৭

**"আমি আমাৰ সামাজিক অক্ষমতা আঁতৰ হোৱাটো বিচাৰিছো"**

মাদ্ৰাজৰ দাক্ষায়নি ভেলেউধানে (Dakhyani Velayudhan) যুক্তি দৰ্শাইছিল—

"আমি সকলোধৰণৰ সুৰক্ষা বিচৰা নাই। আমি বিচাৰিছো নৈতিক সুৰক্ষা, যিটোৱে এইখন দেশৰ দুৰ্বলসকলক ৰক্ষা কৰে। মই বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰিছো যে সত্তৰ নিযুত "হৰিজন" সংখ্যালঘু বুলি বিবেচিত হৈছে।... আমি বিচাৰিছো যে শীঘ্ৰে আমাৰ সামাজিক অক্ষমতা আতৰ হওঁক।"

CAD. Vol. 1

উৎস - ৮

**"আমি কেতিয়াও আছুতীয়া সুবিধা বিচৰা নাই।"**

বোম্বেৰ হান্সা মেহতাই (Hansa Mehta) মহিলাসকলৰ সুবিচাৰ দাবী কৰিছিল — সংৰক্ষিত আসনৰ বাবে নহয় বা পৃথক নিৰ্বাচনৰ বাবেও নহয়। "আমি কেতিয়াও আছুতীয়া সুবিধা বিচৰা নাই। আমি বিচাৰিছো সামাজিক ন্যায়, অৰ্থনৈতিক সুবিচাৰ আৰু ৰাজনৈতিক সুবিচাৰ। আমি সেইটো সমতা বিচাৰিছো যিটোৱে অকলে পাৰস্পৰিক সন্মান আৰু বুজাবুজিৰ ভেঁটি হয়, যিটোৰ অবিহনে পুৰুষ আৰু মহিলাৰ মাজত সহযোগ সম্ভৱ নহয়।"

সম্প্ৰদায়ৰ লোকসকলৰ পৰা আঁতৰত ৰাখিব। সংবিধান সভাই এই বিৰোধীতাৰ কেনেকৈ সমাধান কৰিছিল? অৱহেলিত সম্প্ৰদায়সমূহক কি ধৰণৰ সুৰক্ষা দিয়া হৈছিল?

অৱহেলিত সম্প্ৰদায়ৰ কিছুমান সদস্যই জোৰ দি কৈছিল যে অস্পৃশ্যতা সমস্যাটো অকল নিৰাপত্তা আৰু সুৰক্ষাৰ দ্বাৰা সমাধান নহয়। তেওঁলোকৰ অক্ষমতাৰ কাৰণ হৈছে সামাজিক নীতি-নিয়ম আৰু সম্প্ৰদায় সমাজৰ নৈতিক মূল্যায়ণ। সমাজে তেওঁলোকৰ সেৱা আৰু শ্ৰম ব্যৱহাৰ কৰিছিল, কিন্তু তেওঁলোকক সামাজিক দূৰত্বত ৰাখিছিল ; তেওঁলোকক সমাজৰ লগত হলি-গলি কৰিবলৈ বা একেলগে খাবলৈ বা মন্দিৰত সোমাবলৈ দিয়া নাছিল। মাদ্ৰাজৰ জে.নাগাপ্পাই (J.Nagappa) কৈছিল -"আমি ভুগি আহিছো, কিন্তু আৰু ভোগ নকৰিবলৈ সাজু হৈছো। আমি আমাৰ দায়িত্বসমূহৰ বিষয়ে অৱগত হৈছো, আমি জানো, কেনেকৈ নিজৰ অধিকাৰ প্ৰতিপন্ন কৰিব লাগে।"

নাগাপ্পাই আঙুলিয়াই দিছিল যে সংখ্যা অনুযায়ী অৱহেলিত সম্প্ৰদায়সমূহ সংখ্যালঘু নাছিল; তেওঁলোকে মুঠ জনসংখ্যাৰ শতকাৰ ২০ ৰ পৰা ২৫ ভাগ দখল কৰিছে। তেওঁলোকৰ যন্ত্ৰণাখিনিৰ কাৰণটো আছিল পৰিকল্পিতভাৱে কৰা অৱহেলা, সংখ্যা অনুসৰি স্থিতি নথকাটো নহয়। তেওঁলোকৰ শিক্ষাৰ কোনো সুবিধা নাছিল, প্ৰশাসনত অংশ ল'ব নোৱাৰিছিল। সভাক উদ্দেশ্য কৰি কেন্দ্ৰীয় প্ৰদেশসমূহৰ কে, জে খাণ্ডাৰকাৰে কৈছিল (K. J. Khanderkar)

"আমি হেজাৰ -হেজাৰ বছৰ অৱহেলিত হৈ আছিলো ... আৰু এনেকুৱা এটা পৰিসৰলৈ অৱহেলিত হৈছিলো যে আমাৰ মন, শৰীৰ আৰু এতিয়া আনকি অন্তৰেও কাম নকৰা হৈছে, আমি আগবাঢ়ি যাবলৈও অপাৰগ-এইটোৱেই আমাৰ অৱস্থা।"

বিভাজনৰ হিংসাৰ পিছত আম্বেদকাৰেও পৃথক নিৰ্বাচনৰ হকে নোকোৱা হ'ল। সাংবিধানিক সভাই অৱশেষত অস্পৃশ্যতা নিৰ্মূলৰ অনুমোদন জনালে। হিন্দু মন্দিৰবিলাক সকলোজাতিৰ লোকৰ বাবে মুকলি কৰি দিয়া হ'ল আৰু বিধায়িনী সভা আৰু চৰকাৰী চাকৰিত নিম্ন সম্প্ৰদায়ৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা ৰখা হ'ল। বহুতে স্বীকাৰ কৰিলে যে এইটোৱে সকলো সমস্যা সমাধান কৰিব নোৱাৰে, সামাজিক অন্যায় অকল সাংবিধানিক আইন প্ৰণয়নৰ দ্বাৰা নাইকিয়া কৰিব নোৱাৰি। সমাজৰ ভিতৰতে মনোভাৱ পৰিৱৰ্ত্তন কৰিব লাগিব, কিন্তু গণতান্ত্ৰিক জনসাধাৰণে এই ব্যৱস্থাক আদৰণি জনাইছিল।

**➲ আলোচনা**

জয়পাল সিঙে কি কি বেলেগ বেলেগ যুক্তি জনজাতিসকলৰ ৰক্ষণাবেক্ষণ দাবী কৰোতে উপস্থাপন কৰিছিল?

## 4 ৰাজ্যৰ ক্ষমতাসমূহ ঃ

সাংবিধানিক সভাত খুব প্ৰৱলভাৱে আলোচনা কৰা এটা বিষয় আছিল কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যসমূহৰ ক্ষমতা সম্পৰ্কে। এটা শক্তিশালী কেন্দ্ৰৰ বাবে যুক্তি দৰ্শোৱাসকলৰ ভিতৰত জৱাহৰলাল নেহেৰুও এজন আছিল। তেওঁ এই বিষয়ত সাংবিধানিক সভাৰ সভাপতিলৈ লিখা এখন চিঠিত এইদৰে লিখিছিল , "এতিয়া সেই বিভাজনটো বাস্তৱত সমাধান হ'ল... এখন দুৰ্বল কেন্দ্ৰীয় প্ৰাধিকৰ্ত্তা হ'লে দেশখনৰ স্বাৰ্থত আঘাট কৰিব, যিটোৱে শান্তি প্ৰতিষ্ঠা কৰাত সকলোৱে স্বাৰ্থজড়িত থকা গুৰুত্বপূৰ্ণ বিষয়সমূহ আপোচ কৰাত আৰু দেশখনৰ কাৰণে সাৰ্থকভাৱে আন্তৰাষ্ট্ৰীয় পৰ্যায়ত কথা কোৱাত অপাৰগ হ'ব।"

সংবিধানৰ খচৰাত বিষয়সমূহৰ তিনিখন তালিকা অন্তৰ্ভুক্ত কৰা হৈছে —কেন্দ্ৰীয়, ৰাজ্যিক আৰু সমবৰ্ত্তী। প্ৰথমখন তালিকাৰ বিষয়সমূহ কেন্দ্ৰীয় চৰকাৰৰ বাবে সংৰক্ষিত থাকিব, আনহাতে দ্বিতীয়খন তালিকাৰ বিষয়সমূহ ৰাজ্যসমূহক অৰ্পণ কৰা হৈছে. তৃতীয়খন তালিকাৰ বিষয়সমূহৰ দায়িত্ব কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰ মাজত ভাগ হ'ব।

যি কি নহওঁক, আন যুক্তৰাষ্ট্ৰতকৈ বহুত বেছি বিষয় কেন্দ্ৰীয় চৰকাৰৰ একচেতিয়া নিয়ন্ত্ৰণ ৰখা হৈছে আৰু প্ৰদেশসমূহৰ প্ৰাপ্যতকৈ বহুত বেছি বিষয় সমৱৰ্ত্তী (Concurrent) তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। তাৰোপৰি কেন্দ্ৰৰ খনিজ পদাৰ্থ আৰু প্ৰধান উদ্যোগসমূহৰ ওপৰত নিয়ন্ত্ৰণ আছে। ইয়াৰোপৰি ৩৫৬ নং অনুচ্ছেদত ৰাজ্যপালৰ অনুমোদনক্ৰমে ৰাজ্য প্ৰশাসন কেন্দ্ৰৰ হাতলৈ হস্তান্তৰ কৰাৰ ক্ষমতা দিয়া হৈছে।

DailyAssam.Com

সংবিধানে বিত্তীয় যুক্তৰাষ্ট্ৰীয় এক জটিল ব্যৱস্থা কৰাটো বাধ্যতামূলক কৰিছে। কিছুমান কৰৰ ক্ষেত্ৰত (যেনে আমদানি কৰ আৰু কোম্পানী কৰ) কেন্দ্ৰই সকলো সংগৃহীত ধন নিজৰ হাতত ৰাখিব; অন্যান্য ক্ষেত্ৰত (উদাহৰণস্বৰূপে আয়কৰ আৰু আবকাৰী কৰসমূহ) কেন্দ্ৰই ৰাজ্যসমূহৰ লগত ভাগ কৰি ল'ব। ইয়াৰ বাহিৰত থকা আন আন বিষয়সমূহত (যেনে ভূ-সম্পত্তি কৰ) ৰাজ্যসমূহক সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰিছে। ৰাজ্যসমূহে ইতিমধ্যে কিছুমান কৰ ৰেহাই আৰু সংগ্ৰহ নিজাববীয়াকৈ কৰিব পাৰিছিল; মাটি আৰু সম্পত্তি কৰ, বিক্ৰী কৰ আৰু মদৰ বটলৰ ওপৰত পোৱা অতিশয় লাভজনক কৰ ইয়াত অন্তৰ্ভুক্ত আছে।

### ৪.১ "কেন্দ্ৰ ভঙ্গ হোৱাৰ পথত"

ৰাজ্যৰ অধিকাৰসমূহৰ সপক্ষে অতিশয় বাকপটুতাৰে কে চন্থানামে (K. Santhanam) বক্তব্য আগবঢ়াইছিল। তেওঁ অনুভৱ কৰিছিল যে অকল ৰাজ্যসমূহকে নহয়, কেন্দ্ৰকো ক্ষমতাশালী কৰিবলৈ ক্ষমতাৰ পুৰ্ণবণ্টন কৰাটো দৰকাৰ আছিল। "বেছিভাগৰে এটা বিৰূপ মনোভাৱ আছে যে কেন্দ্ৰক সকলো প্ৰকাৰৰ ক্ষমতা প্ৰদান কৰিলে আমি ইয়াক সবল কৰিব পাৰিম।" চন্থানামে

DailyAssam.Com



উৎস - ৯

**"কোন বেছি ভাল স্বদেশপ্ৰেমী"**

১৯৪৭ চনৰ ২১ আগষ্টত মহীশূৰৰ ছাৰ. এ. ৰামস্বামী মুদালিয়াৰে বিতৰ্কৰ সময়ত কৈছিল - "তোমামোদৰ উচটনিত আমাৰ বিবেকে যাতে নকয় যে আমি বেছি ভাল দেশপ্ৰেমী হ'ম, যদি আমি এক সবল কেন্দ্ৰৰ বাবে প্ৰস্তাৱ দিও আৰু যিসকলে এক সবল প্ৰস্তাৱ দিয়াসকলৰ সন্ধানত প্ৰবলভাৱে পৰীক্ষা কৰাৰ মত পোষণ কৰে তেওঁলোকৰ জাতীয় উদ্যম বা দেশপ্ৰেম যথেষ্ট নাই।"

কৈছিল "এইটো এটা ভুল ধাৰণা। যদি কেন্দ্ৰক বহন কৰিব নোৱাৰাকৈ দায়িত্ব অৰ্পণ কৰা হয় তেনেহ'লে ই নিয়াৰিকৈ কাৰ্য চলাব নোৱাৰিব। কেন্দ্ৰক যদি কিছুমান কাৰ্যৰ পৰা ৰেহাই দিয়া হয় আৰু সেইবিলাক ৰাজ্যসমূহলৈ হস্তান্তৰ কৰা হয়, তেনেহ'লে কেন্দ্ৰক প্ৰকৃতাৰ্থত সবল কৰা হ'ব।

চাষ্টানামে ভাবে যে ৰাজ্যসমূহক প্ৰস্তাৱিত ক্ষমতা প্ৰদানে অক্ষম কৰিব। বিত্তীয় ব্যৱস্থাই প্ৰদেশসমূহক কাঙাল কৰিব, যিহেতু মাটিৰ খাজনাৰ বাহিৰে বেছিভাগ কৰ কেন্দ্ৰৰ পুজিত (Fund) জমা হয়। আৰ্থিক স্বচ্ছলতাৰ অবিহনে ৰাজ্যসমূহে উন্নয়নৰ আঁচনি কেনেকৈ হাতত ল'ব? "মই এনে কোনো সংবিধান নিবিচাৰো যিখনে ৰাজ্যসমূহক কেন্দ্ৰলৈ আহিবলগীয়া কৰে আৰু ক'বলগীয়া হয়। মই মোৰ মানুহক শিক্ষা দিব নোৱাৰো। মই অনাময় (স্বাস্থ্য) ব্যৱস্থা দিব নোৱাৰো, মোক ৰাস্তাৰ উন্নয়ণ আৰু উদ্যোগ উন্নয়ণৰ বাবে এটা অংশ দিয়া,যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা বাদ দি এতিয়া আমি "একক প্ৰণালী" প্ৰৱৰ্ত্তন কৰো (Unitary system) চষ্টানামে এটা অন্ধকাৰ ভৱিষ্যতৰ কথা ভৱিষ্যতবাণী কৰিছিল -যদিহে প্ৰস্তাৱিত ক্ষমতা ভাগ কৰা ব্যৱস্থাটো অধিকি বিশ্লেষণ নকৰাকৈ ৰূপায়ণ কৰে। তেওঁ কৈছিল কেইবছৰমানৰ ভিতৰতে সকলো ৰাজ্যই কেন্দ্ৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব।"

ৰাজ্যসমূহ পৰা অহা আন বহুতে একেটা ভয়েই প্ৰকাশ কৰিছিল। তেওঁলোকে সমবৰ্ত্তী আৰু কেন্দ্ৰীয় তালিকাৰ মাত্ৰ কেইটামান বিষয় অন্তৰ্ভুক্ত কৰাৰ হকে প্ৰৱল যুঁজ দিয়ে। উৰিষ্যাৰ এজন সদস্যই সাৱধান কৰি দিয়ে যে "কেন্দ্ৰ ভাগি যোৱাৰ পথত" যিহেতু সংবিধানে কেন্দ্ৰক অতিমাত্ৰা ক্ষমতা প্ৰদান কৰিছে।"

### ৪.২ "আমি আজি এক শক্তিশালী চৰকাৰ বিচাৰিছো" ঃ

প্ৰদেশসমূহক অধিক ক্ষমতা প্ৰদানৰ যুক্তিয়ে স ভাত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। সবল কেন্দ্ৰৰ আৱশ্যকতাৰ প্ৰশ্নটো ভালেমান সময়ত উত্থাপিত হৈছিল, যিহেতু সংবিধান সভাৰ বৈঠকসমূহ ইতিমধ্যে আৰম্ভ হৈছিল। আম্বেদকাৰে ঘোষণা কৰিছিল যে তেওঁ "এক সবল আৰু সংযুক্ত কেন্দ্ৰ (শুনা শুনা), ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ আধাৰত আমি গঠন কৰা কেন্দ্ৰতকৈও শক্তিশালী" কেন্দ্ৰ বিচাৰো। অতীতটোৰ চকুলো বোৱাই অনা বিদ্ৰোহ আৰু হিংসাৰ কথা সদস্যসকলক সোঁৰৰাই দি কয় যে — এই ঘটনাসমূহৰ কথা আঁতৰত ৰাখি বহুতো সদস্যই বাৰে বাৰে উল্লেখ কৰে যে কেন্দ্ৰৰ ক্ষমতা বহুত বেছি কৰিব লাগে যাতে সাম্প্ৰদায়িক উন্মত্ততা বন্ধ কৰিবলৈ কেন্দ্ৰ সক্ষম হয়। প্ৰদেশসমূহক ক্ষমতা দিব লাগে বুলি কৰা দাবীৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গোপাল স্বামী আয়েংগাৰে ঘোষণা কৰে যে —"কেন্দ্ৰক যিমান পাৰি সিমান শক্তিশালী কৰিব লাগে"। সংযুক্ত প্ৰদেশৰ পৰা অহা এজন সদস্য বালকৃষ্ণ শৰ্মাই (Balakrishna Sarma) যুক্তিৰে কয় যে "অকল এখন শক্তিশালী কেন্দ্ৰইহে দেশখনৰ মঙ্গলৰ বাবে কাম কৰিব

DailyAssam.Com



পাৰে, অপৰ্যাপ্ত অৰ্থনৈতিক সম্পদ বিলাক কামত লগাব পাৰে, এখন উপযুক্ত প্ৰশাসন স্থাপন কৰে আৰু দেশখনক বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰিব পাৰে।

বিভাজনৰ আগতে কংগ্ৰেছে প্ৰদেশসমূহক যথেষ্ট পৰিমাণে স্বায়ত্ব শাসন ক্ষমতা দিবলৈ সন্মত হৈছিল। মুছলীম লীগে প্ৰদেশসমূহৰ ভিতৰৰ যিবিলাকত ক্ষমতালৈ আহে, তাত কেন্দ্ৰই হস্তক্ষেপ নকৰে বুলি আশ্বাস দিয়াৰ এইটো প্ৰচেষ্টাৰ এটা অংশ। বিভাজনৰ পিছত বেছিভাগ জাতীয়তাবাদীয়ে তেওঁলোকৰ স্থিতি সলনি কৰিলে, কাৰণ তেওঁলোকে অনুভৱ কৰিলে যে এখন বিকেন্দ্ৰীকৰণ চৰকাৰ গঠনৰ বাবে আগৰ ৰাজনৈতিক হেঁচা নোহোৱা হ'ল। ইতিমধ্যে উপনিবেশ চৰকাৰে জাপি দিয়া এখন একক প্ৰণালীৰ গাঁঠনি তাৰ ঠাইত আছেই। সময়ে সময়ে চলি থকা হিংসাই কেন্দ্ৰীয়কৰণত আৰু অধিক হেঁচা দিছিল, এতিয়া দেখা গৈছে যে বাধাৰ সৃষ্টি কৰা হুলস্থুল আৰু দেশখনৰ অৰ্থনৈতিক উন্নয়নৰ আঁচনি প্ৰস্তুত কৰোতে হিংসাৰ প্ৰয়োজন। সংবিধানে এইদৰে দেখুৱাইছে যে সাংবিধানিক ৰাজ্যসমূহৰ ওপৰত ভাৰত ৰাষ্ট্ৰৰ অধিকাৰ বৈষম্যমূলক।

**৫. জাতিৰ ভাষা ঃ** বেলেগ বেলেগ অঞ্চলত বেলেগ বেলেগ ভাষা কোৱা আৰু প্ৰতিটো ভাষাৰ সৈতে ইয়াৰ নিজা সাংস্কৃতিক পৰম্পৰা থকা মানুহবিলাকক জাতীয় ঐক্যতালৈ কেনেকৈ অনা হৈছিল? মানুহৰ এজনে আনজনৰ কথা কেনেকৈ শুনিছিল বা প্ৰত্যেকে প্ৰত্যেকৰ লগত, ইজনে সিজনৰ ভাষা নজনাকৈ যোগাযোগ কৰিছিল? সাংবিধানিক সভাৰ ভিতৰত, ভাষাৰ বিষয়টোৰ ওপৰত বহুত মাহ বিতৰ্ক চলিল আৰু প্ৰায়ে গভীৰ যুক্তি-তৰ্কৰ সৃষ্টি হৈছিল।

১৯৩০ দশকত কংগ্ৰেছে গ্ৰহণ কৰিছিল যে হিন্দুস্থানী দেশৰ জাতীয় ভাষা হোৱা উচিত। মহাত্মা গান্ধীয়ে ভাবিছিল যে প্ৰত্যেকেই এটা ভাষাত ক'ব লাগে, যিটো সাধাৰণ মানুহে ,সহজে বুজি পায়। হিন্দুস্থানী -হিন্দি আৰু উৰ্দ্দু সংমিশ্ৰণ -ভাৰতৰ এক বৃহৎ সংখ্যক মানুহৰ এটা জনপ্ৰিয় ভাষা আৰু এইটো এটা সানমিহলি ভাষা আছিল যিটো বিভিন্ন সাংস্কৃতিক আন্তঃক্ৰিয়াৰ পৰা চহকী হৈছিল। পাৰ হৈ যোৱা বছৰবিলাকত এই ভাষাটোত বহুধৰণৰ উৎসৰ পৰা পোৱা শব্দ আৰু উক্তি অন্তৰ্ভুক্ত কৰিছিল আৰু সেইবাবেই বেলেগ বেলেগ ঠাইৰ পৰা অহা মানুহবিলাকে বুজি পাইছিল। মহাত্মা গান্ধীয়ে ভাবিছিল যে এই বহু সংস্কৃতিসম্পন্ন ভাষাটো বিভিন্ন সম্প্ৰদায়ৰ মাজত যোগাযোগ স্থাপনত আদৰ্শ ভাষা হ'বই।হিন্দু আৰু মুছলমানসকলক আৰু উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ মানুহবিলাকক একেলগ কৰিব পাৰিব।

যি কি নহওঁক, উনবিংশ শতিকাৰ শেষৰ পৰা ভাষা হিচাবে হিন্দুস্থানী লাহে লাহে পৰিৱৰ্তন হ'ল। সাম্প্ৰদায়িক সংঘৰ্ষ বাঢ়ি যোৱাৰ লগে লগে হিন্দী আৰু উৰ্দ্দু আঁতৰে আঁতৰে গা কৰি উঠিবলৈ আৰম্ভ কৰিলে। এহাতে সকলো পাৰ্ছি আৰু উৰ্দ্দু শব্দ বাদ দি সংস্কৃতযুক্ত হিন্দী প্ৰচলনৰ দাবী আৰু আনহাতে উৰ্দ্দু বৰ্দ্ধিত হাৰত পাৰ্ছীযুক্ত কৰা হৈছিল। ফলস্বৰূপে ভাষা, ৰাজনীতি আৰু ধৰ্মীয় স্থিতিৰ লগত জড়িত হৈ পৰিছিল। যি কি নহওঁক, মহাত্মা গান্ধীয়ে হিন্দুস্থানীৰ মিশ্ৰিত গুণৰ ওপৰত বিশ্বাস অটুট ৰাখিছিল।

**আলোচনা**

এখন শক্তিশালী কেন্দ্ৰৰ কাৰণে মত পোষণ কৰাসকলে কি কি ধৰণৰ যুক্তি আগবঢ়াইছিল?

উৎস - ১০

**এটা জাতীয় ভাষাৰ কি কি গুণ থকা উচিত?**

মৃত্যুৰ কেইমাহমানৰ আগতে মহাত্মা গান্ধীয়ে ভাষাৰ প্ৰশ্নটোৰ ওপৰত তেওঁৰ ভাৱধাৰাৰ পুনৰুক্তি দিছিল —

এই হিন্দুস্থানী, সংস্কৃত মিহলি হিন্দী বা পাৰ্চী মিহ উৰ্দ্দু হোৱা উচিত নহয়, কিন্তু দুয়োটাৰে এক সুখৰ মিশ্ৰণ হোৱা উচিত। বেলেগ বেলেগে আঞ্চলিক ভাষাৰ শব্দ প্ৰয়োজন অনুসৰি ইয়াত অন্তৰ্ভুক্ত কৰাৰো অনুমতি থকা উচিত, আনকি বিদেশী ভাষাৰ শব্দও, যদি ভালধৰণে খাপ খায় আমাৰ জাতীয় ভাষাৰ লগত সংলগ্ন কৰা উচিত। এইদৰে আমাৰ জাতীয় ভাষাক মানৰ চিন্তা আৰু অনুভূতি প্ৰকাশ কৰিব পৰা সবল আৰু শক্তিশালী আহিলা হোৱাকৈ উন্নত কৰিবই লাগিব। এজনক হিন্দী বা উৰ্দ্দুত আবদ্ধ কৰি ৰখাটো জ্ঞানৰ আৰু দেশপ্ৰেমৰ উদ্যমৰ বিৰুদ্ধে কৰা এটা অপৰাধ।

হৰিজন সেৱক, ১২ অক্টোবৰ ১৯৪৭

DailyAssam.Com

**৫.১ হিন্দীৰ কাৰণে এটা অজুহাত ঃ**

সাংবিধানিক সভাৰ আগৰ এখন বৈঠকত সংযুক্ত প্ৰদেশৰ পৰা অহা এজন কংগ্ৰেছীলোক আৰ.ভি ধুলেকাৰে (R.V.Dhulekar) এটা টান অনুৰোধ জনাইছিল যে "হিন্দী" সংবিধান প্ৰস্তুত কৰা ভাষা হিচাবে ব্যৱহাৰ কৰিব লাগে। যেতিয়া কোৱা হৈছিল যে সভাত প্ৰতিজন মানুহে হিন্দী নাজানে,ইয়াৰ প্ৰত্যুত্তৰত ধুলেকাৰে কৈছিল -"ভাৰতবৰ্ষৰ বাবে এখন সংবিধান গঢ় দিবলৈ যিসকল এই সভাত উপস্থিত আছে আৰু হিন্দুস্থানী নাজানে তেওঁলোকে এই সভাৰ সদস্য হোৱাৰ যোগ্য নহয়। তেওঁলোক তাতকৈ সভাৰ পৰাগুছি যোৱাই ভাল।" যেতিয়া সভাই এনে মন্তব্যৰ বাবে হুলস্থূলৰ সৃষ্টি কৰিলে, ধুলেকাৰে তেওঁৰ ভাষণ হিন্দীত দিবলৈ ধৰিলে। এই পৰিস্থিতিত জৱাহৰলাল নেহেৰুৰ হস্তক্ষেপত শান্তি ঘূৰি আহিল, কিন্তু ভাষাৰ বিষয়টোৱে সভাৰ কাৰ্য্যবিৱৰণি লিখাত একেবাৰে হুলস্থূলৰ সৃষ্টি কৰি আছিল আৰু সদস্যসকলক পিছৰ তিনিবছৰ ধৰি উত্তেজিত কৰিছিল।

প্ৰায় তিনিবছৰৰ পিছত ১৯৪৭ চনৰ ১২ চেপ্তেম্বৰত ধুলেকাৰৰ জাতীয় ভাষাটোৰ ওপৰত দিয়া ভাষণটোৱে পুনৰ এক প্ৰচণ্ড হুলস্থূলৰ সৃষ্টি কৰে। তেতিয়া সাংবিধানিক সভাৰ ভাষা কমিটিয়ে ইয়াৰ প্ৰতিবেদন দাখিল কৰিলে আৰু হিন্দী জাতীয় ভাষা হোৱাৰ মত দিয়াসকল আৰু মত নিদিয়াসকলৰ মাজত সৃষ্টি হোৱা অচলতা দূৰ কৰিবৰ কাৰণে এটা আপোচ সূত্ৰ -উপস্থাপন কৰিলে। সূত্ৰটো গ্ৰহণ কৰাৰ সিদ্ধান্ত ল'লে, কিন্তু তেতিয়ালৈকে আনুস্থানিকভাৱে ঘোষণা কৰা নাছিল যে দেৱনাগৰিত লিখা হিন্দী চৰকাৰী ভাষা হ'ব, কিন্তু হিন্দীৰ ব্যৱহাৰ লাহে লাহে বৃদ্ধি পাব। প্ৰথম ১৫ বছৰত, ইংলিছৰ ব্যৱহাৰ সকলো চৰকাৰী কাম-কাজত চলি থাকিব। প্ৰতিখন প্ৰদেশে যিকোনো এটা আঞ্চলিক ভাষা প্ৰদেশখনৰ ভিতৰত চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰিবলৈ অনুমতি দিছিল। সাংবিধানিক সভাৰ ভাষা কমিটিয়ে হিন্দী ভাষাটো জাতীয় ভাষা বুলি নকৈ চৰকাৰী ভাষা হিচাবে উল্লেখ কৰি আবেগত জাঙুৰ খাই উঠা সকলক শান্ত কৰাৰ আশা কৰিছিল আৰু সকলোৱে গ্ৰহণীয় এটা সমাধান হ'ব বুলি ভাবিছিল।

ধুলেকাৰে এনে আপোচ বিচৰা নাছিল, তেওঁ বিচাৰিছিল যে হিন্দী জাতীয় ভাষা হিচাবে ঘোষণা কৰক, চৰকাৰী ভাষা হিচাবে নহয়। হিন্দী আমাৰ দেশৰ জাতিটোৰ ওপৰত জাপি দিয়া হৈছে বুলি প্ৰতিবাদীসকলক তেওঁ আক্ৰমণ কৰিছিল আৰু মহাত্মা গান্ধীৰ নামত হিন্দীতকৈ হিন্দুস্থানীহে জাতীয় ভাষা হ'ব লাগে বুলি যিসকলে কৈছিল তেওঁলোকক ইতিকিং কৰিছিল।

> "ছাৰ, হিন্দী দেশখনৰ চৰকাৰী ভাষা হোৱা বাবে মোতকৈ বেছি কোনো সুখী হোৱা নাই ... কিছুমানে কৈছে যে এইটো হিন্দী ভাষাৰ বাবে দিয়া এটা ৰেহাই। মই কওঁ নহয়, এইটো সম্পূৰ্ণতাৰ এটা বুৰঞ্জীমূলক প্ৰণালী।"

যিটো কথাই বেছিভাগ সদস্যক বিশেষভাৱে ব্যাকুল কৰিছিল,সেইটো হৈছে ধূলেকাৰে তেওঁৰ বিষয়টোৰ ওপৰত কৰা তৰ্কৰ ধৰণ। ধূলেকাৰৰ ভাষণৰ সময়ছোৱাত সভাৰ সভাপতিয়ে বহুবাৰ বাধা দিছিল আৰু কৈছিল - " মই নেভাবো তুমি এইদৰে কথা কৈ তোমাৰ বিষয়টোত অধিক গুৰুত্ব লাভ কৰিব পাৰিবা।" কিন্তু ধূলেকাৰে কাণষাৰ নিদি একেৰাহে কৈ থাকিল।

DailyAssam.Com

### ৫.২ দমন কৰাৰ ভয় ঃ

ধূলেকাৰে ভাষণ দিয়াৰ এদিনৰ পিছত মাদ্ৰাজৰ শ্ৰীমতী জি.দুৰ্গাবায়ে (G.Durgabai) আলোচনাটোৰ অগ্ৰগতিৰ ধাৰণাটোৰ ওপৰত দুখপ্ৰকাশ কৰি কৈছিল -

> "মিঃ সভাপতি (Mr. President) ভাৰতৰ জাতীয় ভাষাৰ প্ৰশ্নটো কিছুদিনৰ আগলৈকে প্ৰায় মানি লোৱা প্ৰস্তাৱ আছিল আৰু এতিয়া হঠাৎ প্ৰৱল বিতৰ্কমূলক বিষয় হৈ পৰিছে। শুদ্ধকৈ হওঁক বা ভুলতে হওঁক, হিন্দী নোকোৱা অঞ্চলৰ মানুহখিনিক অনুভৱ কৰিবলৈ দিয়া হৈছিল যে এই যুদ্ধ বা এই মনোভাৱ হিন্দী কোৱা অঞ্চলৰ হকে নহয়, এই যুদ্ধ ভাৰতৰ জাতিটোক বহু সংস্কৃতিৰ ওপৰত ভাৰতৰে আন শক্তিশালী ভাষাৰ স্বাভাৱিক আকৰ্ষণক সফলভাৱে বাধা দিয়া প্ৰচেষ্টা।"

দুৰ্গাবায়ে সভাক জনাইছিল যে দক্ষিণ ভাৰতত হিন্দী বিৰোধিতা বৰ শক্তিশালী আছিল। "বিৰোধীসকলে অনুভৱ কৰিছিল যে সম্ভৱতঃ সঠিকভাৱে যে হিন্দীৰ কাৰণে এই উদ্দেশ্যপ্ৰণোদিত প্ৰচাৰ কাৰ্যই প্ৰাদেশিক ভাষাসমূহৰ গুৰিতে নাকচ কৰিছে।" তথাপি তেওঁ আৰু বহুতৰ লগ হৈ মহাত্মা গান্ধীৰ বক্তব্যত সমৰ্থন জনাইছে আৰু দাক্ষিণাত্যত হিন্দী প্ৰচাৰ কাৰ্য চলাই আহিছে। সাহসিক বাধা প্ৰদান কৰিলে, স্কুলসমূহ আৰম্ভ কৰিলে আৰু পাঠবিলাক হিন্দীতে চলালে "এতিয়া এই সকলোবিলাকৰ ফলাফল কি? বুলি দুৰ্গাবায়ে সুধিলে। 'মই আচৰিত হৈছো, এই শতিকাৰ প্ৰাৰম্ভিক বছৰবিলাকত যিটো উদ্যমেৰে আমি হিন্দী গ্ৰহণ কৰিছিলো, সেই উদ্যমৰ বিৰুদ্ধে এই আন্দোলন চলিছে।" তেওঁ হিন্দুস্থানী মানুহৰ ভাষা হিচাপে গ্ৰহণ কৰিছিল, কিন্তু এতিয়া সেই ভাষাৰ পৰিৱৰ্ত্তন হ'ল, উৰ্দ্দু আৰু অন্য আঞ্চলিক ভাষাৰ শব্দবিলাক আঁতৰাই দিয়া হ'ল। তেওঁ উপলব্ধি কৰিছিল যে হিন্দুস্থানীৰ অন্তৰ্ভুক্তি আৰু মিশ্ৰিত গুণ নাইকীয়া কৰিবৰ বাবে চলা যিকোনো আন্দোলনে বেলেগ বেলেগ ভাষাৰ গোটসমূহৰ নিশ্চিতভাৱে উদ্বেগ আৰু ভয়ৰ সৃষ্টি কৰিব।

যিহেতু আলোচনাটো তিক্ততাপূৰ্ণ হ'ল, বহুত সদস্যই সৌন্দৰ্য্যমূলক উদ্যমৰ বাবে আহ্বান জনালে। বম্বেৰ এজন সদস্য, শ্ৰীশঙ্কৰ ৰাও দেউএ (Shankararao Deo) উল্লেখ কৰিছিল যে এজন কংগ্ৰেছৰ মানুহ আৰু মহাত্মা গান্ধীৰ সেৱক হিচাপে তেওঁ হিন্দুস্থানীক জাতীয় ভাষা হিচাবে গ্ৰহণ

কৰিছে, কিন্তু তেওঁ সাৱধান কৰি দিছে, "যদি তোমালোকে মোৰ আন্তৰিক সমৰ্থন (হিন্দীৰ কাৰণে) বিচাৰা, তোমালোকে এতিয়া মোৰ সন্দেহ উদ্ৰেক কৰিব পৰা কোনো কাম নকৰিবা, যিটোৱে মোৰ ভয় বঢ়াব।" মাদ্ৰাজৰ টি.এ. ৰামলিঙ্গম চেতিয়াৰে (T.A. Ramalingam Chettiar) গুৰুত্ব আৰোপ কৰিছিল যে যিটোৱেই কৰা হৈছিল সেইটো সাৱধানেৰে কৰিব লগা হৈছিল। হিন্দীৰ প্ৰচলনে সহায় নকৰিব, যদিহে ইয়াক অতিমাত্ৰা আক্ৰমণাত্মকভাৱে ঠেলি দিয়া হয়। যুক্তিসঙ্গত নহ'লেও মানুহৰ ভয় বা অন্য সমস্যাৰ সমাধান কৰিবই লাগিব । ইয়াৰ আঁৰত এটা তিক্ত অনুভৱ থাকিব।" তেওঁ কৈছিল - "আমি যিহেতু একেলগে বাস কৰিব খুজিছো আৰু এটা সংযুক্ত জাতি গঠন কৰিব সুধিছো পৰস্পৰ সমাধান হোৱা উচিত আৰু মানুহৰ ওপৰত যিকোনো বিষয়ত জোৰ-জুলুম কৰাৰ প্ৰশ্ন নুঠে... ....."

ভাৰতীয় সংবিধান এইদৰে বিস্তৃত বিতৰ্ক প্ৰণালী আৰু আলোচনাৰ মাজেদি তৈয়াৰ কৰা হ'ল। ইয়াৰ বহুতো অধ্যায় দিয়া আৰু লোৱা আৰু দুটা বিপৰীতমুখী বিৰোধৰ মাধ্যমটো মানি লোৱা পদ্ধতিৰে লিপিবদ্ধ কৰা হৈছিল।

যি কি নহওঁক, সংবিধানৰ এটা কেন্দ্ৰীয় বিষয়ত সকলোৰে সন্মতি আছিল। এইটো আছিল-প্ৰতিজন প্ৰাপ্তবয়স্ক ভাৰতীয় যুৱকক ভোটাধিকাৰ দিয়া। এইটো এটা বিশ্বাসৰ অস্বাভাৱিক কাৰ্য, কাৰণ আন গণতন্ত্ৰত ভোটাধিকাৰ মন্থৰ গতিত আৰু পৰ্যায়ক্ৰমে দিয়া হয়। কিছুমান দেশত যেনে যুক্তৰাষ্ট্ৰ আৰু ইংলণ্ডত অকল সম্পত্তি থকা মানুহক প্ৰথমে ভোটাধিকাৰ দিছিল, তাৰপিছত শিক্ষিত মানুহক এই অধিকাৰ দিয়া হৈছিল। এক দীঘলীয়া আৰু তিক্ততাপূৰ্ণ সংগ্ৰামৰ অন্তত বনুৱা বা খেতিয়ক গোষ্ঠীকো এই ভোটাধিকাৰ দিয়া হৈছিল। মহিলাসকলে এই অধিকাৰ পাবলৈ আৰু দীঘলীয়া সংগ্ৰামৰ প্ৰয়োজন হৈছিল।

সংবিধানৰ দ্বিতীয়টো গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল ধৰ্মনিৰপেক্ষতা সংবিধানৰ প্ৰস্তাৱনাত ধৰ্মনিৰপেক্ষতাৰ স্বতঃস্ফূৰ্ত উল্লেখ নাই, কিন্তু কাৰ্যতঃ ইয়াৰ মূল বিষয়সমূহ ভাৰতীয় প্ৰসঙ্গত আদৰ্শজনকভাৱে ওলাই পৰিছিল। এইটো কৰা হৈছিল সাৱধানতাৰে প্ৰস্তুত কৰা খচৰাৰ এলানি মৌলিক অধিকাৰৰ যোগেদি। এই অধিকাৰসমূহ হ'ল —"ধৰ্মৰ স্বাধীনতা" (অনুচ্ছেদ ২৫-২৮), সংস্কৃতি আৰু শিক্ষাৰ অধিকাৰ (অনুচ্ছেদ ২৯-৩০) আৰু সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪, ১৬,১৭)। সকলো ধৰ্মকে ৰাজ্যসমূহে সম আচৰণ সুনিশ্চিত কৰা আৰু দাঁতব্য (Charitable ) অনুস্থানসমূহক চোৱাচিতা কৰাৰ দায়িত্ব ৰাজ্যসমূহক অৰ্পণ কৰিছে। ৰাজ্যসমূহে নিজেই ধৰ্মীয় সম্প্ৰদায়ৰ পৰা দূৰত থকা, ৰাজ্যৰ অধীনত থকা স্কুল আৰু কলেজসমূহত ধৰ্মীয় শিক্ষাৰ বাধ্যতামূলক পাঠদান বন্ধ কৰা আৰু ধৰ্মৰ ভিত্তিত নিয়োগ বে-এইনী হিচাবে

ঘোষণা কৰা ইত্যাদি সাংবিধানিক আইনৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। যি কি নহওঁক, সম্প্ৰদায়বিলাকৰ ভিতৰত সামাজিক সংস্কাৰৰ কাৰণে আইনৰ ক্ষেত্ৰৰ ভিতৰত কিছুমান ফাঁক ৰখা হৈছিল। অস্পৃশ্যতা নিৰ্মূল আৰু 'নিজা আৰু পৰিয়াল' আইনৰ পৰিৱৰ্তনৰ সূচনা কৰিবলৈ এই ফাক ৰখা হৈছিল। ৰূপান্তৰিত ভাৰতীয় ৰাজনৈতিক ধৰ্মনিৰপেক্ষতাত, দেশ ধৰ্মৰ পৰা সম্পূৰ্ণ পৃথক হোৱা নাই, কিন্তু এইটো দুয়োটাৰে মাজত এটা যুক্তিসঙ্গত ব্যৱধানহে।

সাংবিধানিক সভাৰ বিতৰ্কসমূহে আমাক, সংবিধান তৈয়াৰ কৰোতে আপোচ কৰিব লগা বহুতো সংঘাটমূলক বক্তব্য ন্যস্ত কৰি দিয়াত বহুতো দাবী বুজি পোৱাত সহায় কৰিছে। এই বিতৰ্কসমূহে আমাক সংবিধানত অন্তৰ্নিহিত কৰা আদৰ্শসমূহ আৰু সংবিধান প্ৰস্তুতকৰ্তাসকলে ব্যৱহাৰ কৰা মূল সূত্ৰসমূহৰ বিষয়ে অৱগত কৰিছে, কিন্তু এই বিতৰ্কসমূহ পৰ্যালোচনা কৰোতে আমি সাৱধান হ'ব লাগিব যে অন্তৰ্নিহিত আদৰ্শবিলাক এটা প্ৰসঙ্গৰ ভিতৰতে উপযুক্ত হোৱাকৈ, খুব সঘনে পুনৰ বিবেচনা কৰিব লগা হৈছে। সেই মুহূৰ্তবিলাকত সাংবিধানিক সভাৰ সদস্যসকলে তেওঁলোকৰ ধাৰণাসমূহ পৰিৱৰ্তন কৰিছিল, যিহেতু বিতৰ্কসমূহ তিনিবছৰ ধৰি অমীমাংসিত হৈ আছিল। আনৰ যুক্তিবিলাক শুনি কিছুমান সদস্যই নিজৰ অৱস্থানটোৰ পুনৰ নিৰীক্ষণ কৰিছিল আৰু বিৰূপ মত বিলাকৰ প্ৰতি তেওঁলোকৰ মন মুকলি কৰিছিল, আনবিলাকে তেওঁলোকৰ মত চাৰিওফালে চলি থকা ঘটনাবিলাকৰ প্ৰতিক্ৰিয়াস্বৰূপে সলনি কৰিছিল।



চিত্ৰ,১৫.৯
বি.আৰ. আম্বেদকাৰ আৰু ৰাজেন্দ্ৰ প্ৰসাদে ইজনে সিজনক সংবিধানখন হস্তান্তৰ কৰাৰ সময়ত অভ্যৰ্থনা জনাইছে।

## সময়ৰেখা

| | |
|---|---|
| ১৯৪৫ | |
| ২৬ জুলাই | বৃটেইনত শ্ৰমিক চৰকাৰ ক্ষমতালৈ আহিল। |
| ডিচেম্বৰ -জানুৱাৰী | ভাৰতত সাধাৰণ নিৰ্বাচন। |
| ১৯৪৬ | |
| ১৯ মে' | কেবিনেট মিচনে তেওঁলোকৰ সাংবিধানিক আঁচনি ঘোষণা কৰিলে। |
| ১৬ জুন | কেবিনেট মিছনে কেন্দ্ৰত এটা অন্তৰ্বৰ্ত্তী চৰকাৰ গঠনৰ বাবে প্ৰস্তাৱ দিলে। |
| ২ চেপ্তেম্বৰ | নেহেৰুক উপৰাষ্ট্ৰপতি হিচাবে লৈ কংগ্ৰেছৰ অন্তৰ্বৰ্ত্তী চৰকাৰ গঠন। |
| ১৩ অক্টোবৰ | মুছলীম লীগে অৰ্ন্তৰ্বৰ্ত্তী চৰকাৰত যোগদান কৰিবলৈ ঠিৰাং কৰিলে। |
| ৩-৬ ডিচেম্বৰ | বৃটিছ প্ৰধানমন্ত্ৰী এট্‌লিয়ে কেইজনমান ভাৰতীয় নেতাক লগ কৰিলে। আলোচনা বিফল হ'ল। |
| ৯ ডিচেম্বৰ | সাংবিধানিক সভাৰ বৈঠক বহিল। |
| ১৯৪৭ | |
| ২৯ জানুৱাৰী | মুছলীম লীগে সাংবিধানিক সভা ভঙ্গ কৰিব লাগে বুলি দাবী জনালে। |
| ১৬ জুলাই | অন্তৰ্বৰ্ত্তী চৰকাৰৰ শেষৰখন বৈঠক বহিল। |
| ১৯ আগষ্ট | পাকিস্থানৰ সাংবিধানিক সভাৰ সভাপতি হিচাবে জিন্না নিৰ্বাচিত হ'ল। |
| ১৪ আগষ্ট | পাকিস্থানৰ স্বাধীনতা উৎসৱ কৰাচীত পালন। |
| ১৪-১৫ আগষ্ট | মাজনিশা ভাৰতত স্বাধীনতা উৎসৱ পালন। |
| ১৯৪৯ | |
| ডিচেম্বৰ — সংবিধান গৃহীত হ'ল। | |

### ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া

1. উদ্দেশ্যমূলক প্ৰস্তাৱত কোনবিলাক আদৰ্শ গ্ৰহণ কৰা হৈছিল?
2. বিভিন্ন দলসমূহে সংখ্যালঘু শব্দটোৰ সংজ্ঞা কি বুলি দিছিল?
3. প্ৰদেশবিলাকত অধিক ক্ষমতা প্ৰদান সম্পৰ্কে যুক্তিবোৰ কি কি আছিল?
4. মহাত্মা গান্ধীয়ে হিন্দুস্থানী ভাষাটো কিয় জাতীয় ভাষা হিচাপে গণ্য কৰিছিল?

DailyAssam.Com



## তলত দিয়া প্ৰশ্নবোৰৰ ২৫০-৩০০ শব্দৰ ভিতৰত চমু ৰচনা লিখা

5. কোনবিলাক ঐতিহাসিক উপাদানে সংবিধানত আলোকপাত কৰিছিল?
6. নিস্পেষিতসকলক নিৰাপত্তা দিবৰ কাৰণে অৱতাৰণা কৰা বেলেগে বেলেগ যুক্তিবোৰ আলোচনা কৰা।
7. সংবিধান সভাৰ কিছুমান সদস্যই সেইসময়ৰ ৰাজনৈতিক পৰিস্থিতি আৰু এখন শক্তিশালী কেন্দ্ৰৰ আৱশ্যকতাৰ মাজত কি সংযোগ কৰিছিল?
8. সাংবিধানিক সভাই কেনেদৰে ভাষা বিবাদ সমাধান কৰিব খুজিছিল?

## মানচিত্ৰৰ কাম

9. বৰ্ত্তমান ভাৰতৰ এখন ৰাজনৈতিক মেপত, প্ৰতিখন ৰাজ্যৰ কথিত ভাষাসমূহ উল্লেখ কৰা আৰু তাৰ ভিতৰৰ চৰকাৰী যোগাযোগৰ ভাষা এটাত চিন দিয়া। বৰ্ত্তমানৰ মেপ আৰু ১৯৫০ দশকৰ আৰম্ভণিৰ মেপৰ তুলনা কৰা। কি কি পাৰ্থক্য দেখা পাইছা? পাৰ্থক্যসমূহে ভাষা আৰু ৰাজ্য গঠনৰ সম্বন্ধটোৰ বিষয়ে কিবা আভাষ দিছে নেকি?

## প্ৰকল্প (যিকোনো এটা বাছি লোৱা)

11. শেহতীয়া বছৰকেইটাত সংবিধানত পৰিৱৰ্ত্তন হোৱা যিকোনো এটা পৰিৱৰ্ত্তন বাছি লোৱা। কি কাৰণবশতঃ পৰিৱৰ্ত্তনটো কাৰ হৈছিল, এই পৰিৱৰ্ত্তনক ভিত্তি কৰি কেনেধৰণৰ বেলেগ বেলেগ বাদানুবাদৰ সৃষ্টি হৈছিল আৰু ইয়াৰ আৰত ঐতিহাসিক পটভূমি কি আছিল? এইবিলাকৰ বিষয়ে যদি তুমি পাৰা, তেনেহ'লে সেই সময়ত পাৰ্লামেণ্টত হোৱা বিতৰ্কিত আলোচনা ইণ্টাৰনেটৰ যোগেদি (http//parliament of indis.nic.in/Is/debates/debates.htm) চোৱা। যি পালা লিখা।
12. তলত উল্লেখ কৰা বিষয়সমূহৰ যিকোনো দুটা বিষয়ৰ ওপৰত ভাৰতৰ সংবিধানখনৰ লগত আমেৰিকা, ফ্ৰান্স বা দক্ষিণ আফ্ৰিকাৰ সং বিধানৰ তুলনা কৰা। ধৰ্মনিৰপেক্ষতা, সংখ্যালঘুসকলৰ অধিকাৰ, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সম্বন্ধ। সেই পাৰ্থক্য আৰু মিলসমূহৰ লগত সেই অঞ্চলৰ বুৰঞ্জীৰ লগত কেনে সম্পৰ্ক আছে বিচাৰি উলিওৱা।

### তোমালোকে যদি আৰু অধিক জানিবলৈ বিচৰা, তেন্তে পঢ়া ঃ


গ্ৰেণ্ডভিলে অষ্টিন ১৯৯২
*The Indian Consitution : The Cornerstone of a Nation.*
অক্সফোৰ্ড ইউনিভাৰচিটি প্ৰেছ, নতুন দিল্লী

ৰাজীৱ ভাৰ্গৱ, 2000
"Domestic Vision of a New Republic in F.R. Franket er al.ends.
*Transfarming India :Social and Political Dynamics of Democracy*
অক্সফোৰ্ড ইউনিভাৰচিটি প্ৰেছ, নতুন দিল্লী

সুমিত চৰকাৰ, ১৯৮৩
"Indian Democracy, The historical Inheritance" in Atul Kohli ed.
*The Success of India's Democracy.*
কেম্ব্ৰিজ ইউনিভাৰচিটি প্ৰেছ, কেম্ব্ৰিজ।

সুমিত চৰকাৰ, ১৯৮৩
*Modern India*; ১৯৮৫-১৯৪৭
মেকমিলান, নতুন দিল্লী।


**তুমি চাব পাৰা ঃ**
Parliamentof india.nic.in/Is/debates/debates.htm.